www.newsnextone.com
# e সংবাদ

## ৰঙিয়াত পত্নীয়ে কাঢ়িলে স্বামীৰ প্ৰাণ!

ই-সংবাদ, ৰঙিয়া, ২৮ ডিচেম্বৰঃ ৰঙিয়াৰ পীতাম্বৰ হাটবজালীত বদিৰ আলী নামৰ লোকজনে ২ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SUNDAY, DECEMBER 29, 2024 ■ দেওবাৰ, ১৩ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪ Guwahati, Assam ।। মূল্যঃ এটকা

## আকৌ নতুন প্ৰভাত

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

দিনবোৰ ভাল হওক সকলোৰে বাবে। সুখৰ উপত্যকাত ভৰি থৈ সুখী হৈ পৰক পৃথিৱীৰ প্ৰতিজন ব্যক্তি। শেষাংশ ৩ পৃষ্ঠাত



পঞ্চভূতত বিলীন প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিং

## দিল্লীৰ নিগমবোধ ঘাটত ইতিহাস হৈ পঞ্চভূতত বিলীন নীৰৱে দেশ গঢ়া মানুহজন

### সমাধিস্থলক লৈ সমালোচিত কেন্দ্ৰ চৰকাৰ

নতুন দিল্লী, ২৮ ডিচেম্বৰঃ পঞ্চভূতত বিলীন হ'ল দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ নশ্বৰ দেহ। শনিবাৰে ৰাষ্ট্ৰীয় সন্মানেৰে সম্পন্ন হয় প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বিশ্বখ্যাত শেষাংশ ২ পৃষ্ঠাত

## এইবাৰ নগাঁৱত নাৰ্ছক ছুৰিকাঘাত প্ৰেমিক দুৰ্বৃত্তৰ!

ই-সংবাদ, বেবেজীয়া, ২৮ ডিচেম্বৰঃ ৰাজ্যৰ বিভিন্ন সঘনে নাৰী নিযাৰ্তন ঘটনা ঘটি অহাৰ শেষাংশ ৩ পৃষ্ঠাত

### উত্তৰ-পূৰত সন্ত্ৰাস বিয়পোৱাৰ ভয়ংকৰ পৰিকল্পনা মৌলবাদী সংগঠনৰ

# বাংলাদেশৰ বন্দৰ পালে বিস্ফোৰক ভৰ্তি পাক জাহাজ

ই-সংবাদ বিশেষ, ২৮ ডিচেম্বৰঃ অসম আৰু উত্তৰ-পূৰত ভয়ংকৰভাৱে শিপাইছে বাংলাদেশী সন্ত্ৰাসবাদী সংগঠন। উত্তৰ-পূবক অশান্ত কৰিবলৈ বাংলাদেশৰ জৰিয়তে বৃহৎ পৰিকল্পনা কৰিছে শেষাংশ ৪ পৃষ্ঠাত

## আকৌ নিজৰ প্ৰাণ লোৱাৰ চেষ্টা ভূপেন দাসৰ

ই-সংবাদ, ২৮ ডিচেম্বৰঃ গুৱাহাটীৰ নাহৰণিপথত মৌচুমী শেষাংশ ৫ পৃষ্ঠাত

### কংগ্ৰেছৰ ভ্ৰষ্টাচাৰী বিজেপিতঃ জয়ন্ত বৰুৱা

## 'বিজেপিক কিয় ভোট নিদিব' উন্মোচন



ই-সংবাদ, ২৮ ডিচেম্বৰঃ বিগত তিনিটা দশক ধৰি অসমৰ সাংবাদ জগতত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা সাদিন-প্ৰতিদিন গোষ্ঠীৰ জনমত গঠনত শেষাংশ ৬ পৃষ্ঠাত

### কথমপি প্ৰাণ ৰক্ষা উৰ্মিলাৰ

## অভিনেত্ৰীৰ বাহনৰ খুন্দাত শ্ৰমিক নিহত



মুম্বাই, ২৮ ডিচেম্বৰঃ মাৰাঠী অভিনেত্ৰী উৰ্মিলা কোথাৰেৰ বাহনৰ খুন্দাত মুম্বাইত নিহত এজন শ্ৰমিক। আৰক্ষীয়ে সদৰী কৰা শেষাংশ ৩ পৃষ্ঠাত



## ক্ষমা খুজিলে ৰাষ্ট্ৰপতি পুটিনে

মস্কো, ২৮ ডিচেম্বৰঃ কাজাখস্তানত সংঘটিত হোৱা বিমান দুৰ্ঘটনাৰ বাবে ক্ষমা বিচাৰিছে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ শেষাংশ ২ পৃষ্ঠাত

## মুখা পিন্ধক! বাঘ খেদাৰ উপায় দিলে দিছপুৰীয়া অতুলে



ই-সংবাদ, ২৮ ডিচেম্বৰঃ খাদ্য-সামগ্ৰীৰ মূল্য হ্ৰাস কৰিবলৈ সমিধান নাই। মূল্যবৃদ্ধিৰ ফলত মানুহে ত্ৰাহি শেষাংশ ৫ পৃষ্ঠাত

## যুৱকে গীৰ্জাত দিলে 'জয় শ্ৰী ৰাম' ধ্বনি, ৰুজু গোচৰ

### মেঘালয়ত চেপা উত্তেজনা

ই-সংবাদ, ২৮ ডিচেম্বৰঃ বিজেপিয়ে চুবুৰীয়া দেশ পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ নিৰ্যাতিত হিন্দু, বৌদ্ধ, জৈন, শিখ, জৈনৰ লগতে খ্ৰীষ্টান শেষাংশ ৪ পৃষ্ঠাত

### পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

## তিলক গগৈ ক্ষেত্ৰ দ্বিতীয় দিনাও উদুলি-মুদুলি



ই-সংবাদ, মৰিয়নি, ২৮ ডিচেম্বৰঃ যোৰহাট জিলাৰ অসম-নাগালেণ্ড সীমান্তবৰ্তী চেলেংহাটৰ মুক্তিযোদ্ধা ডামচাও তিলক শেষাংশ ৫ পৃষ্ঠাত

## মনমোহন সিঙক অপমান চৰকাৰৰ!

নতুন দিল্লী, ২৮ ডিচেম্বৰঃ প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ শেষ ৰীতি-নীতিক লৈ কেন্দ্ৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ নেতা শেষাংশ ৬ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ নিগমবোধ ঘাটত ইতিহাস

অৰ্থনীতিবিদগৰাকীৰ শেষ ৰীতি-নীতি। মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়াত উপস্থিত থাকে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছৰ শীৰ্ষ নেতাসকল। শনিবাৰে পুৱা প্ৰায় ৮:৩০ বজাত অন্তিম অনুষ্ঠানৰ বাবে মনমোহন সিঙৰ নশ্বৰ দেহ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ অনা হয়, য'ত কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীকে ধৰি কংগ্ৰেছৰ নেতা-কৰ্মীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মনমোহন সিঙৰ বিদায় শোভাযাত্ৰা ২৪ আকবৰ ৰোড কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা নিগমবোধ ঘাট অভিমুখে আৰম্ভ হয়। এই অন্তিম যাত্ৰাৰ সময়ত সিঙৰ পাৰ্থিৱ শৰীৰৰ সৈতে একেখন বাহনতে উপস্থিত থাকে ৰাহুল গান্ধীও। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা নিগমবোধ ঘাটলৈ যোৱা শেষ যাত্ৰাৰ সময়ত কংগ্ৰেছ কৰ্মীসকলে "যেতিয়ালৈকে সূৰ্য্য আৰু চন্দ্ৰ থাকিব তেতিয়ালৈকে মনমোহন সিং আপোনাৰ নাম থাকিব" আৰু "মনমোহন সিং অমৰ হৈ থাকক" আদি শ্লোগান দিয়ে। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত মনমোহন সিঙৰ নশ্বৰদেহ ৰখাৰ পাছত ছোনিয়া গান্ধী, খাৰ্গে, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীকে ধৰি আন কংগ্ৰেছী নেতাই পুষ্প অৰ্পণ কৰি তেওঁক শ্ৰদ্ধাঞ্জলি জনায়। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত ড০ সিঙৰ পত্নী গুৰচৰণ কৌৰকে ধৰি পৰিয়ালৰ আন সদস্যসকলো উপস্থিত থাকে। গুৰচৰণ কৌৰে স্বামীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। মনমোহন সিঙৰ পৰিয়ালক সান্ত্বনা দিবলৈ ৰাহুল গান্ধীয়ে দলৰ মুখ্য কাৰ্যালয়ত প্ৰৱেশ কৰে। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ বহু কৰ্মীয়ে চকুলো টুকি মনমোহন সিঙক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাতে দলৰ নেতা-কৰ্মীয়ে ৰাষ্ট্ৰীয় সংগীত গাই তেওঁক বিদায় দিয়ে। পিছত কংগ্ৰেছে নিগমবোধ ঘাটত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ চৰকাৰে লোৱা সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰে, আৰু সিঙৰ শেষ অনুষ্ঠান এনে এটা স্থানত অনুষ্ঠিত কৰিবলৈ দাবী জনায় য'ত তেওঁৰ স্মৃতিসৌধও নিৰ্মাণ কৰিব পৰা যাব। দলটোৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সিঙৰ নশ্বৰ দেহৰ শেষকৃত্য কৰি ভাৰতৰ প্ৰথম শিখ প্ৰধানমন্ত্ৰী হিচাপে স্মৃতিসৌধ স্থাপন নকৰাটো শিখসকলৰ বাবে ইচ্ছাকৃতভাৱে কৰা অপমান কৰা বুলি অভিযোগ কৰে। ইফালে, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে শুকুৰবাৰে নিশা ঘোষণা কৰিছিল যে চৰকাৰে সিঙৰ স্মৃতিসৌধৰ বাবে ঠাই আবণ্টন দিব। অৰ্থনৈতিক সংস্কাৰৰ পিতৃ হিচাপে পৰিচিত তথা দুবাৰৰ প্ৰধানমন্ত্ৰী হিচাপে পৰিচিত মনমোহন সিঙে বৃহস্পতিবাৰে নিশা ৯২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। শুকুৰবাৰে তেওঁৰ পাৰ্থিৱ শৰীৰ তেওঁৰ বাসগৃহ '৩ মতিলাল নেহৰু মাৰ্গ'ত ৰখাৰ পিছত তাত বিভিন্ন ৰাজনৈতিক দলৰ নেতাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সিঙৰ বাসগৃহত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী, কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি বিভিন্ন নেতাই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে, প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ শেষকৃত্যত অংশ ল'বলৈ এদিনীয়া ভ্ৰমণ কাৰ্যসূচী লৈ আজি নতুন দিল্লীত উপস্থিত হয় ভুটানৰ ৰজা জিগমে খেছাৰ নামগাইল ৱাংচুক। ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আদিৰ লগতে চুবুৰীয়া দেশ ভুটাৰ ৰজা জিগমে খেছাৰ নামগাইল ৱাংচুক উপস্থিত থাকে। শেষকৃত্যত উপস্থিতি থাকি শেষবাৰৰ বাবে মনমোহন সিঙৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পুষ্পস্তবক অৰ্পণ কৰে ৰজা বাংচুকে। অন্ত্যেষ্টিক্ৰিয়াত ৰজাগৰাকীৰ উপস্থিতিয়ে ভুটান আৰু ভাৰতৰ মাজত বন্ধুত্বৰ গভীৰ আৰু স্থায়ী সম্পৰ্ক প্ৰতিফলিত কৰিছে। ভুটানৰ ৰজাই ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ভুটানৰ এজন ভাল বন্ধু আছিল বুলি কয়। ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে ড০ সিঙৰ কাৰ্যকালত অধিক বিকাশ হৈছিল। ভুটানত ড০ মনমোহন সিঙৰ নেতৃত্বৰ সময়ত দুয়োদেশৰ মাজত বন্ধুত্বৰ বান্ধোন শক্তিশালী কৰাত গ্ৰহণ কৰা বিশেষ ভূমিকাৰ বাবে চুবুৰীয়া দেশখনত যথেষ্ট সন্মান লাভ কৰিছিল। ভাৰতত সাত দিনীয়া চৰকাৰী শোক ঘোষণা কৰা হৈছে। সমগ্ৰ দেশত ভাৰতীয় ৰাষ্ট্ৰীয় পতাকা অৰ্ধ-নমিতকৈ উৰুওৱা হৈছে। অন্ত্যেষ্টিক্ৰিয়াত ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী নেতা, বিৰোধী দলৰ সদস্য, কংগ্ৰেছ দলৰ নেতা আৰু প্ৰয়াত প্ৰধানমন্ত্ৰীৰ পৰিয়ালৰ সদস্য উপস্থিত আছিল। তেওঁৰ মৃত্যুত দেশৰ লগতে পৃথিৱীৰ প্ৰায় প্ৰতিখন দেশৰ ৰাষ্ট্ৰনেতাই শোক ব্যক্ত কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ষমা খুজিলে ৰাষ্ট্ৰপতি পুটিনে

পুটিনে। শনিবাৰে ক্ৰেমলিনৰ এক বিবৃতিত কোৱা হয় যে ৰাছিয়াৰ আকাশমাৰ্গত সংঘটিত হোৱা এই মৰ্মান্তিক দুৰ্ঘটনাৰ বাবে পুটিনে আজাৰবাইজানৰ ৰাষ্ট্ৰপতি ইলহাম আলিয়েভৰ ওচৰত খেদ প্ৰকাশ কৰিছে। একে সময়তে তেওঁ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। ইফালে বিমান দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত কেইবাটাও তত্ত্বৰ উন্মেষ ঘটিছে, তাৰ ভিতৰত এটা হ'ল চৰাইৰ সৈতে খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। আনহাতে আন এটা তত্ত্বই কয় যে ৰাছিয়াই ভুলতে যাত্ৰীবাহী বিমানখনক ইউক্ৰেইনৰ বিমান বুলি আক্ৰমণ কৰাৰ ফলতে বিমানখন ধ্বংস হৈ যায়। আজাৰবাইজান এয়াৰলাইন্সেও এই দুৰ্ঘটনা সন্দৰ্ভত এক বিবৃতি প্ৰকাশ কৰিছে, য'ত তেওঁলোকে কয় যে দুৰ্ঘটনাৰ কাৰণ "বাহ্যিক আৰু কাৰিকৰী হস্তক্ষেপ" হ'ব পাৰে, কিন্তু তেওঁলোকে কোনো নিৰ্দিষ্ট ব্যক্তি বা দেশক দোষাৰোপ কৰা নাই। অন্যহাতে, ক্ৰেমলিনৰ বিবৃতিত কোৱা হৈছে যে কাজাখস্তানৰ আক্টোবে চহৰৰ সমীপৰ খালী অঞ্চলত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। বিমানখনত ক্ৰু মেম্বাৰকে ধৰি মুঠ ৬৭জন লোক আছিল। দুৰ্ঘটনাৰ সময়ত ইউক্ৰেইনৰ বিমানে গ্ৰ'জনি, মাজাণ্ডাৰান আৰু ভ্লাডিকাভকাজ অঞ্চলত আক্ৰমণ চলাইছিল আৰু ৰাছিয়াৰ বায়ুসেনাই সেই আক্ৰমণসমূহক প্ৰতিহত কৰাত ব্যস্ত আছিল। অৱশ্যে ৰাছিয়াৰ বায়ুসেনাৰ গুলীত আজাৰবাইজানৰ বিমানখন দুৰ্ঘটনাগ্ৰস্ত নেকি সেই সন্দৰ্ভত মস্কোৱে স্পষ্ট কৰা নাই। কিন্তু এই দুৰ্ঘটনাক লৈ পুটিনে বিচৰা ক্ষমাৰ পিছতে এতিয়া ৰাছিয়াৰ আক্ৰমণতে এই দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা বৃদ্ধি পোৱা বুলি বহুতে দাবী কৰিছে। অৱশ্যে এই ঘটনা সন্দৰ্ভত এতিয়ালৈকে কোনো নিশ্চিত তথ্য পোহৰলৈ অহা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰঙিয়াত পত্নীয়ে কাঢ়িলে স্বামীৰ

যোৱা নিশা শোৱাপাটিতে প্ৰাণ হেৰুৱাব লগা ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। আজি পুৱাৰ ভাগত আত্মীয় তথা ওচৰ চুবুৰীয়া ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ দৃশ্য প্ৰত্যক্ষ কৰি পৰিকল্পিত হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰে। পেচাত মিস্ত্ৰী লোকজনৰ পত্নীয়ে প্ৰেমিক, পুত্ৰৰ সৈতে প্ৰাণ লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে আত্মীয় স্বজনে। লোকজনৰ মৃত্যুৰ খবৰ লাভ কৰা মাত্ৰকে ঘটনাস্থলীত উপস্থিত হোৱা আত্মীয় তথা স্থানীয় ৰাইজে মৃতদেহৰ ডিঙিত স্পষ্ট হৈ থকা আঘাতৰ চিন প্ৰত্যক্ষ কৰি ডিঙি ৰেপি হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰে। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ পিতাম্বৰ হাট বজালীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাস্থলীত আৰক্ষী আৰু প্ৰশাসনৰ লোক উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃত লোকজনৰ পত্নীক আৰক্ষীয়ে আটক কৰাৰ লগতে ঘটনাটোৰ তদন্ত অব্যাহত ৰাখিছে। ইফালে, সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ লগতে জড়িতসকলক শীঘ্ৰে কৰায়ত্ব কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে স্থানীয় ৰাইজে। ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ নতুন প্ৰভাত

দুখবোৰৰ নিদান হওক, ৰাজপথত সংঘটিত নহওক আৰু কোনো দুৰ্ঘটনা। কোনো নাৰীৰ নাভিৰ গোন্ধ বিচাৰি ৰাজপথত মাতাল নহওক কোনো পুৰুষ, কোনো শিশুৰ দুচকুত নুফুটক ভোকৰ আৰ্তনাদ। মানুহবোৰ পিশাচ নহওক, নেতাবোৰ লুভীয়া নহওক, আন্দোলনবোৰ তেজৰ চিটিকনিৰে ভৰি নপৰক।

প্ৰতিটো বছৰৰ আৰম্ভণি এনে কামনাৰে কৰা হয়, অথচ প্ৰতিটো বছৰৰ শেষত একেই পৃথিৱী এখন ৰৈ যায়। সময়ৰ সৈতে খোজ মিলাই গুচি যাব ২০২৪ বৰ্ষটোও, আহিব এটা নতুন বছৰ। তাৰ পিছত সিও গুচি যাব... নতুন শুভেচ্ছা বাৰ্তা, নতুন সপোন আৰু নতুন আশাৰে আকৌ এটা নতুন বছৰক আদৰণি জনোৱা হ'ব। সংগোপনে পোৱা-নোপোৱাৰ হিচাববোৰো চলি থাকিব।

সময় গুচি যায় পৰিৱৰ্তনৰ পদাংক এৰি। কিন্তু এই পৰিৱৰ্তনে কিদৰে প্ৰভাৱিত কৰে সমাজ, দেশ আৰু সাধাৰণ জনতাক? এটা নতুন বছৰৰ লগে লগে জানো মানুহবোৰ সঁচাকৈয়ে নতুন আশাৰে উদ্ভাসিত হৈ পৰে? সঁচাকৈয়ে মনবোৰত উঠে জানো সুখৰ তৰংগ?

মাত্ৰ দুদিন আগৰ ঘটনা আছিল এয়া। খ্ৰীষ্টমাছৰ ঠিক পিছদিনাই মৌচুমীৰ তেজেৰে ৰাঙলী হৈ পৰিছিল লাষ্টগেটৰ নাহৰণি পথ। এয়া এগৰাকী যুৱতীৰ হত্যা নাছিল, এয়া আছিল ২০২৪ বৰ্ষৰ বিদায় ক্ষণত ঘটা ভালপোৱাৰ অপমৃত্যু। প্ৰেমে দানৱ সজোৱা প্ৰেমিকৰ হাতৰ ছুৰীয়ে বিন্ধিছিল তাইৰ শৰীৰ। এনে প্ৰেমৰ ক'লা অধ্যায় যেন প্ৰতিটো চুকে কোণেই দৃশ্যমান।

হাজাৰ মৌচুমীৰ চকুত প্ৰতিনিয়ত ভাঁহে সংশয়। কোনে জানে, প্ৰেমৰ শতদল ছিঙিবলৈ গৈ মন-মগজু বোকাত লুতুৰি পুতুৰি কৰি কোন প্ৰেমিকে কাৰ বুকুত হানে ক্ষোভৰ শেল? যিখন সমাজত নিজৰ আত্মীয়ৰ হাততে মহিলা-যুৱতী, সেইখন সমাজত এটা নতুন বছৰে কিয়েইবা পৰিৱৰ্তন আনিব বুলি আশা আশা কৰিব পাৰি?

আজিকালি বাটে বাটে ঘূৰে পিশাচ। দৃষ্টিৰ শানিতেৰে কিমানে ঘূনীয়া কৰে মহিলা-যুৱতীক। সাৰি নাযায় শিশুও। এনেহেনে পগলা কুকুৰৰ কামোৰত যোৱাটো বছৰত অসমতে প্ৰাণ হেৰুৱাইছিল বহু কিশোৰী-যুৱতীয়ে। অহাটো বছৰত এনেবোৰ পগলা কুকুৰ নিপাত যাব বুলি আশ্বাস কোনে দিব?

আজিকালি লাহে লাহে মানুহৰ ভোকবোৰো বাঢ়িবলৈ আৰম্ভ কৰিছে। কোনো ভোকাতুৰ নেতাই পত্নী আৰু পৰিয়ালৰ বাবে গোগ্ৰাসে গিলিছে অ'ৰ-ত'ৰ মাটি। কোনো পেটুৱা নেতাই পুৱাৰ ছ'চিয়েল মিডিয়াত কচৰৎৰ কৌশল প্ৰচাৰ কৰি চিঞৰিছে- 'পিঁয়াজ নাখাবা, স্বাস্থ্যৰ বাবে বেয়া।' মূল্যবৃদ্ধিৰ মাধমাৰৰ পৰা নিষ্ঠাৰ নিয়াবলৈ কোনো নেতাই দিছে গছৰ তলত জিৰণি লোৱাৰ কিটিপ।

ইফালে দুখীয়া জনতাৰ এতিয়া জীৱনেই কংকাল! কান্ধৰ জোলোঙাত কেৱল নিৰাশা। জেপত থুন-থুনকৈ বাজি থাকে সুখৰ শেষ দুটি মুদ্ৰা... নতুন বছৰটোত তাকো খৰছ নহ'লেই ৰক্ষা।

বজাৰৰ মূল্যবৃদ্ধি, অত্যধিক বিদ্যুৎ মাচুল, স্মাৰ্ট মিটাৰৰ লুণ্ঠন, নেতা-মন্ত্ৰী দুৰ্নীতিয়ে যোৱাটো বছৰত অসহায় কৰিছিল সাধাৰণ জনতাক। নতুন বছৰ মানেই নতুন সময়, কিন্তু এই সলনি সময়ে পৰিস্থিতি বাৰু কিমান সলনি কৰিব?

কিন্তু জীৱন মানেই যে সংগ্ৰাম। যুঁজি ভাগৰি নপৰা পৰ্যন্ত জীৱন, মৃত্যুৰ পিছত সকলোৰে বাবে একেখনেই সৰগ, একেখনেই নৰক। আমি যুঁজিবই লাগিব। জীয়াই থাকিবলৈ আমাৰ বাবে এয়াই যথেষ্ট। আৰু সপোন... এপাহ মৰহা ফুলত সেয়া যেন কোনো মৌপিয়াৰ কুৰুকি চোৱাৰ হাবিয়াস এয়া। আশা আছে, এদিন সময় সলনি হ'ব, মানুহবোৰ মানুহ হ'ব, সমাজখন দুৰ্নীতি, অপৰাধ, হত্যা, ধৰ্ষণৰ পৰা মুক্ত হ'ব।

সেয়ে নৱবৰ্ষৰ এই সন্ধিক্ষণত প্ৰতিগৰাকী পঢ়ুৱৈক নৱবৰ্ষৰ অলেখ শুভকামনা জ্ঞাপন কৰিছো। দিনবোৰ সকলোৰে বাবে ভাল হওক, সুখৰ উপত্যকাত ভৰি থৈ সুখী হৈ পৰক বিশ্বৰ প্ৰতিজন ব্যক্তি...।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ নগাঁৱত নাৰ্ছক ছুৰিকাঘাত

সময়তে নগাঁও জিলাৰ বটদ্ৰৱাত সংঘটিত হৈছে অনুৰূপ এক জঘন্য কাণ্ড। নাৰ্ছিং হোমৰ পৰাই অপহৰণ কৰি এগৰাকী নাৰ্ছক পিছত নিৰ্যাতন চলাই পথৰ দাঁতিত মুমূৰ্ষ অৱস্থাত পেলাই থৈ যায় দুৰ্বৃত্তই। যিটো ঘটনাই সমগ্ৰ জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনকি, যোৱা ২৩ ডিচেম্বৰৰ দিনা কৰ্তব্যস্থলীৰ পৰা তিনি গৰাকী যুৱতীয়ে অপহৃতা যুৱতী নাৰ্ছগৰাকীক ফুচলাই নিয়াৰ দৃশ্য চি চি কেমেৰাত আবদ্ধ হৈছে। অৱশ্যে আশ্চৰ্যজনকভাৱে মহাবিদ্যালয়ৰ ইউনিফৰ্ম পৰিহীতা যুৱতী তিনিগৰাকীৰ সৈতে ওলাই যোৱাৰ প্ৰায় দুঘণ্টাৰ পিছতেই ক্ষত-বিক্ষত অৱস্থাত নাৰ্ছ গৰাকীক বটদ্ৰৱা আৰক্ষী থানাৰ এলেকাধীন ভোমোৰাগুৰিৰ পৰা বটদ্ৰৱা আৰক্ষীয়ে উদ্ধাৰ কৰে। ইফালে, নাৰ্ছগৰাকীক ধৰ্ষণ কৰি হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। বৰ্তমান নগাঁও মেট্ৰ' হস্পিতালৰ আই চি ইউত চিকিৎসাধীন হৈ থকা নাৰ্ছ গৰাকীয়ে দিয়া ভাষ্য অনুসৰি জুৰীয়া মহাবিদ্যালয়ৰ তিনি গৰাকী ছাত্ৰীয়ে আলিটাঙনীৰ জনৈক বিল্লাল খান ওৰফে বিল্লাল উদ্দিনৰ নিৰ্দেশত তেওঁক ফুচলাই নি সোণাইঘাট চলচলিৰ এখন হোটেলত চাওমিন খুৱাইছিল আৰু তাৰ পিছতেই চেতনাহীন হৈ পৰিছিল যুৱতী নাৰ্ছগৰাকী। পৰৱৰ্তী সময়ত পথৰ দাঁতিত পেলাই থোৱা নাৰ্ছগৰাকীক বটদ্ৰৱা আৰক্ষীয়ে অচেতন অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে যুতীগৰাকীৰ ভাষ্য লিপিবদ্ধ কৰিছে বটদ্ৰৱা আৰক্ষীয়ে। কিন্তু ষড়যন্ত্ৰকাৰী আৰু হত্যাৰ চেষ্টা কৰা অপৰাধীৰ নাম উল্লেখ কৰাৰ পিছতো এই পৰ্যন্ত ৰহস্যজনকভাৱে আৰক্ষীয়ে আটক কৰিব পৰা নাই আচামীক। ইয়াৰ বিপৰীতে ইমান দিনে বটদ্ৰৱা আৰক্ষীয়ে সংবাদ মাধ্যমৰ পৰা উক্ত ঘটনা গোপন কৰাৰহে অভিযোগ উত্থাপিত হৈছে। সেয়ে উপায়হীন হৈ ভুক্তভোগী নাৰ্ছগৰাকীৰ পৰিয়ালে আজি নগাঁও আৰক্ষী অধীক্ষকৰ ওচৰত এখনি এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনেত্ৰী উৰ্মিলাৰ বাহনৰ খুন্দাত নিহত

মতে, শনিবাৰে পুৱতি নিশা মুম্বাইৰ কাণ্ডিভলী অঞ্চলত অভিনেত্ৰীগৰাকীৰ বাহনৰ সৈতে সংঘৰ্ষত এজন শ্ৰমিক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। এগৰাকী আৰক্ষী বিষয়াই জনোৱা মতে, এই দুৰ্ঘটনাত অভিনেত্ৰীগৰাকী আৰু তেওঁৰ চালকজনো আহত হয়। শ্বুটিং শেষ কৰি পুৱতি নিশা ঘৰলৈ উভতি আহি থকা অৱস্থাতে সংঘটিত হয় এই দুৰ্ঘটনা। আৰক্ষীয়ে জনোৱা মতে, কাণ্ডিভলী ইষ্টৰ পাইছা মেট্ৰ' ষ্টেচনৰ সমীপত এখন তীব্ৰবেগী গাড়ীয়ে দুজন নিৰ্মাণ শ্ৰমিকক খুন্দা মাৰে। যাৰ ফলত এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। কিন্তু গাড়ীখনৰ এয়াৰবেগ সঠিক সময়ত খোল খোৱাৰ বাবে প্ৰাণ ৰক্ষা পৰে অভিনেত্ৰীগৰাকী আৰু তেওঁৰ চালকৰ। আৰক্ষীৰ তথ্য অনুসৰি উৰ্মিলা কোথাৰে শ্বুটিং শেষ কৰি গাড়ীৰে ঘৰলৈ উভতি আহিছিল। তীব্ৰ বেগেৰে গৈ থকা গাড়ীখনৰ ওপৰত চালকে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলতে সেই সময়ত পথত কাম ধৰি থকা শ্ৰমিক দুজনক মহতিয়াই নিয়ে। ইফালে এই দুৰ্ঘটনাৰ পিছতে চালকজনৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে অভিনেত্ৰী উৰ্মিলা কোথাৰে "দুনিয়াদাৰী" আৰু "থেংক গড"কে ধৰি কেইবাখনো জনপ্ৰিয় মাৰাঠী আৰু হিন্দী ছবিত অভিনয় কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশৰ বন্দৰ পালে বিস্ফোৰক

পাকিস্তানে। শেহতীয়াকৈ পাকিস্তানৰ পৰা বৃহৎ পৰিমাণৰ বিস্ফোৰক বাংলাদেশলৈ অহাৰ খবৰে উদ্বেগ বৃদ্ধি কৰিছে ভাৰতীয় নিৰাপত্তা বাহিনীৰ মাজত। বিশেষজ্ঞসকলৰ মতে, বাংলাদেশত উগ্ৰবাদৰ উত্থানৰ মাজতে এই বিস্ফোৰক চালানে ভাৰত আৰু বিশেষকৈ উত্তৰ-পূৰ্বলৈ এক প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিব পাৰে। আশংকা কৰা অনুসৰি, এই বিস্ফোৰকসমূহ আই এছ আইৰ জৰিয়তে বাংলাদেশত ক্ৰমাগতভাৱে উত্থান ঘটা সন্ত্ৰাসবাদীৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে অসম, পশ্চিম বংগ আৰু সমগ্ৰ উত্তৰ-পূব ভাৰতক অস্থিৰ কৰি তোলাৰ ব্লুপ্ৰিণ্ট ৰচিছে পাকিস্তানে। শনিবাৰে আৱামী লীগে চট্টগ্ৰাম বন্দৰত বিস্ফোৰক ভৰ্তি কণ্টেইনাৰৰ চিত্ৰ প্ৰকাশ কৰে। জানিব পৰা মতে, যোৱা ২১ ডিচেম্বৰত পাকিস্তানৰ কৰাচীৰ পৰা চট্ৰগ্ৰাম বন্দৰত ‘চিছমিক ইমালচন’ নামৰ এই বৃহৎ পৰিমাণৰ বিস্ফোৰক উপস্থিত হৈছিল। উল্লেখ্য যে, এই বিস্ফোৰকসমূহে যিকোনো ধৰণৰ কাঠামো ধ্বংস কৰি ব্যাপক ক্ষতিসাধন কৰিব পাৰে। আৱামী লীগে দাবী কৰা মতে, চট্টগ্ৰাম বন্দৰৰ এজন বিষয়াই এই কণ্টেইনাৰৰ ফটো প্ৰকাশ কৰিছে, য'ত ৰঙা ৰঙেৰে স্পষ্টকৈ লিখা আছে ‘বিস্ফোৰক’ শব্দ। ইফালে, বাংলাদেশৰ নৌসেনাই কিছুদিনৰ বাবে এই বিস্ফোৰকভৰ্তি কণ্টেইনাৰসমূহ আৱদ্ধ কৰি ৰাখিছিল যদিও পিছত অজ্ঞাত কাৰণত মুকলি কৰি দিয়াৰ অভিযোগ কৰিছে আৱামী লীগে। প্ৰণিধানযোগ্য যে, ২০০৪ চনৰ ১ এপ্ৰিলত বাংলাদেশৰ চট্টগ্ৰামত এনেদৰে অবৈধভাৱে পাকিস্তানৰ পৰা প্ৰৱেশ কৰা অস্ত্ৰ ভৰ্তি ১০খন ট্ৰাক জব্দ কৰা হৈছিল। বাংলাদেশত অসমৰ বিদ্ৰোহী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফা স্বাধীনৰ বিধ্বংসী কাৰ্যকলাপৰ সহায়ৰ বাবে পাকিস্তানৰ পৰা অহা অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰা হৈছে বুলি অভিযোগ উত্থাপন হৈছিল। তদানীন্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই বিষয়টো তদন্তৰ আওতালৈ আনি জামাতৰ নেতা মতিউৰ ৰহমান নিজামী আৰু আলফা সেনাধ্যক্ষ পৰেশ বৰুৱাকে ধৰি ১৪জন লোকক মৃত্যুদণ্ডৰ শাস্তিও বিহিছিল। শেহতীয়াকৈ বাংলাদেশৰ আদালতে পৰেশ বৰুৱাৰ মৃত্যুদণ্ডৰ শাস্তি বাতিল কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহে। হাছিনা চৰকাৰৰ পতনৰ পিছত বাংলাদেশৰ বৰ্তমান পৰিস্থিতি চিন্তনীয় হৈ পৰিছে। ইউনুছ যুগৰ চৰকাৰৰ দিনত পাকিস্তানৰ সৈতে সম্পৰ্ক গভীৰ হৈ পৰিছে বাংলাদেশৰ। পাকিস্তানৰ জাহাজ বাংলাদেশৰ বন্দৰত ডক কৰিবলৈ দিয়া হৈছে আৰু চোৰাংচোৱা সূত্ৰই জনোৱা মতে, আই এছ আইয়ে বাংলাদেশৰ সন্ত্ৰাসবাদী সংগঠনক অস্ত্ৰ-শস্ত্ৰ আৰু ধন যোগান ধৰিছে। পাকিস্তানৰ পৰা অস্ত্ৰৰ চালান নতুনকৈ আৰম্ভ হৈছে। এই অস্ত্ৰ-বিস্ফোৰক ব্যৱহাৰেৰে অসম তথা উত্তৰ-পূবত অশান্ত পৰিৱেশৰ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। ইতিমধ্যে বাংলাদেশী উগ্ৰপন্থী সংগঠন ‘অনছাৰুল্লাহ বাংলা টিম’য়ে অসম, পশ্চিমবংগ, কেৰালাৰ দৰে ৰাজ্যত ডেউকা মেলিবলৈ আৰম্ভ কৰিছে। চট্টগ্ৰামলৈ পাকিস্তানী অস্ত্ৰ-শস্ত্ৰৰ চালানে এই কথা স্পষ্ট কৰিছে বাংলাদেশৰ জৰিয়তে ভাৰতক আক্ৰমণৰ লক্ষ্য লৈছে পাকিস্তানে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুৱকে গীৰ্জাত দিলে ‘জয় শ্ৰী ৰাম’

ধৰ্মী লোকসকলক ভাৰতলৈ আনিবলৈ নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিছিল। বিজেপি চৰকাৰে নাগৰিকত্ব সংশোধনী আইনৰ দ্বাৰা নিৰ্যাতিত খ্ৰীষ্টান ধৰ্মী লোকসকলোকো ভাৰতলৈ আনিব বিচাৰে যদিও বিজেপিৰ হিন্দুত্ববাদী আদৰ্শৰ লোকসকলে ভাৰতত‍ে সময়ে সময়ে খ্ৰীষ্টান ধৰ্মীসকলক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। সময়ে সময়ে ভাৰতত খ্ৰীষ্টানৰ উপাসনাস্থলীত আক্ৰমণৰ অভিযোগ উঠে। কিন্তু এইবাৰ খ্ৰীষ্টাৰ ধৰ্মী অধ্যূষিত এখন সৰু ৰাজ্যত ভয়ংকৰ কাণ্ড সংঘটিত কৰিছে হিন্দুত্ববাদী আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ যুৱকে। চিধাই গীৰ্জাৰ ভিতৰত প্ৰৱেশ কৰিলে দিছে জয় শ্ৰী ৰাম ধ্বনি। বিশেষ ধৰ্মৰ লোকক বাটে-ঘাটে, বাছ-ৰে’লৰ ভিতৰত, ৰাজহুৱা স্থানত মাৰধৰ কৰি জয় শ্ৰী ৰাম ধ্বনি দিবলৈ বাধ্য কৰোৱাৰ ঘটনা এতিয়া সুলভ। লুঙী পিন্ধা, টুপী, দাড়ি থকা লোকক টাৰ্গেট কৰি লোৱা হয়। দুখীয়া চবজী বেপাৰী, শ্ৰমিক আদিক সহজতে টাৰ্গেট কৰি লৈ জয় শ্ৰী ৰাম ধ্বনি দিবলৈ বাধ্য কৰোৱা হয়। নিতৌ তেনে ভিডিঅ’ ভাইৰেল হয়। কিন্তু এইবাৰ যেন সকলো সীমা পাৰ হৈ গৈছে। এইবাৰ খ্ৰীষ্টান ধৰ্মক টাৰ্গেট কৰি লৈ গীৰ্জাৰ ভিতৰত জয় শ্ৰী ৰাম ধ্বনি দিয়াৰ অভিযোগ উত্থাপন হৈছে। গীৰ্জাৰ ভিতৰত এনেদৰে জয় শ্ৰী ৰাম ধ্বনি দিয়া হৈছে উত্তৰ-পূৱৰ ৰাজ্য মেঘালয়ত। পবিত্ৰ বৰদিনৰ সময়তে মেঘালয়ৰ এটা গীৰ্জাত প্ৰৱেশ কৰি আকাশ সাগৰ নামৰ যুৱকজনে জয় শ্ৰী ৰাম ধ্বনি দিয়াৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাক লৈ চুবুৰীয়া ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে চেপা উত্তেজনাৰ সৃষ্টি হৈছে। ইতিমধ্যে এটা ভিডিঅ’ ভাইৰেল হৈছে। এই ঘটনা মেঘালয়ৰ পূব খাচী পাহাৰৰ মাওলিননঙৰ গীৰ্জাত সংঘটিত হৈছে। আকাশ সাগৰ নামৰ যুৱকজনে এপিফেনি গীৰ্জাত অনধিকাৰ প্ৰৱেশ কৰে। গীৰ্জাত অনধিকাৰ প্ৰৱেশ কৰে গীৰ্জা অপবিত্ৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে আকাশ সাগৰৰ বিৰুদ্ধে মেঘালয়ৰ লাইতুমখৰা আৰক্ষী থানাত গোচৰ ৰুজু হৈছে। মেঘালয়ৰ বিশিষ্ট সমাজকৰ্মী এঞ্জেলা ৰংদেয়ে আকাশ সাগৰৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পিছতে অভিযুক্ত আকাশ সাগৰে ছ’চিয়েল মিডিয়াৰ এনে অভিযোগ অস্বীকাৰ কৰিছে। বিশিষ্ট সমাজকৰ্মী এঞ্জেলা ৰংদে সামাজিক পৰিৱেশ বিঘ্নিত কৰিব খোজাৰ অভিযোগ আনে। মেঘালয়ৰ একাংশ লোকে সামাজিক মাধ্যম যোগে আৰু সমাজকৰ্মী এঞ্জেলাই ২৬ ডিচেম্বৰত ফেচবুক আৰু ইনষ্টাগ্ৰামৰ দৰে ছ’চিয়েল মিডিয়া প্লেটফৰ্মত প্ৰচাৰিত ভিডিঅ'সমূহক আঙুলিয়াই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সেই ভিডিঅ’ত সাগৰ নামৰ যুৱকজনে অকলে এটা গীৰ্জাত প্ৰৱেশ কৰে। গীৰ্জাত প্ৰৱেশ কৰি মঞ্চত থকা মাইক্ৰ'ফোনৰ সন্মুখত থিয় হৈ হিন্দু ধৰ্মৰ মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰে। সাগৰে অ-খ্ৰীষ্টান শ্ল'গান দি ধৰ্মীয় গীত গাই থকা কাৰ্যত বাধাগ্ৰস্ত কৰে এই ঠাইখিনিক অপৱিত্ৰ কৰা বুলি অভিযোগ উঠিছে। অভিযোগ মতে, ধৰ্মীয় পৱিত্ৰতাক অপমান কৰাৰ লগতে ৰাজহুৱা শান্তিৰ পৰিৱেশত ব্যাঘাত জন্মাবলৈ এই অপৰাধমূলক কাৰ্য কৰা হৈছে। এনে কাৰ্য্যৰ ফলত শান্তি-শৃংখলতা ভংগ হোৱাৰ লগতে আতংকিত পৰিৱেশৰ সূচনা হ’ব পাৰে বুলি আশংকা কৰা হৈছে। একাংশ লোক আৰু সমাজকৰ্মী এঞ্জেলাই সেই ভিডিঅ’টো ছ’চিয়েল মিডিয়াৰ প্লেটফৰ্মসমূহৰ পৰা আতৰাবলৈ আৰু ধৰ্মীয় সম্প্ৰীতিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনাইছে। আনহাতে এই কাণ্ডত জড়িত সকলোকে জবাবদিহি কৰি শাস্তি বিহিবলৈ দাবী জনাইছে। ইপিনে সাগৰে জয় শ্ৰী ৰাম কোৱাৰ বাবে দাখিল কৰা এজাহাৰৰ বিষয়ক বিভিন্ন বাতৰিৰ স্ক্ৰীণশ্বট শ্বেয়াৰ কৰি পুনৰ কিছু বিতৰ্কিত মন্তব্য দিছিল যদিও পিছত সেইবোৰ ডিলিট কৰে। দেশত ‘জয় শ্ৰী ৰাম’ কোৱাটো যদি অপৰাধ বুলি গণ্য কৰা হয় তেন্তে আপুনি ভুল স্থানত বসবাস কৰি আছে বুলি দাবী কৰে সাগৰে। যিসকলে তেওঁৰ ‘জয় শ্ৰী ৰাম’ শ্ল’গানৰ বাবে সমালোচনা কৰি আছে সেইসকলক বিশ্বাসঘাতক আৰু দেশদ্ৰোহীৰ কাম কৰি আছে বুলিও কয় সাগৰে।

# হালধা সাহিত্য সভাৰ মুখপত্ৰ ‘সংযোগ’ৰ বাবে লেখা আহ্বান

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৫ ডিচেম্বৰঃ** হালধা শতদল সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন আগন্তুক ২০২৫ বৰ্ষৰ জানুৱাৰী মাহত অনুষ্ঠিত হ’ব। এই উপলক্ষে প্ৰকাশিত হবলগীয়া মুখপত্ৰ 'সংযোগ'ত প্ৰকাশৰ বাবে ইচ্ছুক লেখক-লেখিকাসকলৰপৰা স্ব-ৰচিত গল্প, কবিতা, প্ৰবন্ধ, ৰস-ৰচনা আদি বিচৰা হৈছে। ইচ্ছুকসকলক তেওঁলোকৰ লেখাসমূহ যুগল মেধি, সম্পাদক, 'সংযোগ', গাওঁ-বাথান, ডাকঘৰ ডুমুনীচকি, কামৰূপ (অসম) অথবা প্ৰাণেশ্বৰ ডেকা, সম্পাদক, হালধা শতদল সাহিত্য সভা, ডাকঘৰ-হালধা, পিন-৭৮১১২১, জিলা-কামৰূপ এই ঠিকনাত অহা ৫ জানুৱাৰী বা তাৰ আগতে পোৱাকৈ পঠিয়াবলৈ অনুৰোধ জনোৱা হৈছে। ৭০৮৬৬৫১৩২১-ত যোগাযোগো কৰিব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিলক গগৈ ক্ষেত্ৰ দ্বিতীয় দিনাও উদুলি

গগৈ ক্ষেত্ৰত অনুষ্ঠিত হোৱা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনাও যথেষ্ট ৰাইজৰ সমাগম পৰিলক্ষিত হয়। আজি অসম ফুৰলুং সংঘৰ দ্বাৰা পৰিচালিত ফুৰলুং, প্ৰতিনিধি পঞ্জীয়ন, আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি নিলোৎপাল গগৈৰ দ্বাৰা প্ৰতিনিধি শিবিৰ মুকলি, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে মুম্বাই নিবাসী বিশিষ্ট ব্যক্তি ৰজনীকান্ত বৰগোহাইয়ে। উক্ত উন্মোচনস্থলীতে স্থানীয় সাহিত্যিক ফুলেশ্বৰ গগৈৰ অভিশপ্ত জীৱনৰ সোণোৱালী পথত মেঘালী নামৰ উপন্যাস খন উন্মোচন কৰে আদৰনি সমিতিৰ সভাপতি ড০ সুৰেশ চন্দ্ৰ ৰাজখোৱাই। দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰে যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃষি বিষয়া ড০ বৰুণ বৰগোহাঞিয়ে।প্ৰতিনিধি সভাই অতুল ফুকনক সভাপতি আৰু ৰত্ন গোপাল গগৈক সম্পাদক হিচাপে নিৰ্বাচিত কৰে। আজি অনুষ্ঠিত “অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত টাই আহোমসকলৰ অৱদান” শীৰ্ষক এখন বুৰঞ্জীমূলক আলোচনাচক্ৰখনি উদ্বোধন কৰে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন সচিব মানচাও কমলজ্যোতি গগৈয়ে। টিংখাং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মানচাও জীৱেশ্বৰ মহনৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰখনিত আলোচকৰূপে অংশগ্ৰহণ কৰে গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ পূন্যধৰ গগৈ আৰু চেপন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক প্ৰাঞ্জল মহন বৰুৱাই। দিনৰ ২ বজাৰ পৰা চিত্ৰাংকন, টাই কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাৰ পৰা কেন্দ্ৰীয় সমিতিৰ সভাপতি অতুল ফুকনৰ সভাপতিত্বত প্ৰথম মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাকে ধৰি জাতি জনগোষ্ঠীৰ কেইবাগৰাকীও নেতা উপস্থিত থাকি বক্তব্য আগবঢ়াই। আনহাতে নিশা ৯ বজাৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক সন্ধ্যাত স্থানীয় শিল্পীৰ লগতে জনপ্ৰিয় সংগীত শিল্পী জ্যোতিমালা বুঢ়াগোহাঁইয়ে গীত পৰিৱেশন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ নিজৰ প্ৰাণ লোৱাৰ চেষ্টা ভূপেন

গগৈক হত্যা কৰা ভূপেন দাসে পুনৰ নিজকে শেষ কৰাৰ প্ৰয়াস কৰিছে। বৃহস্পতিবাৰে মৌচুমী গগৈক হত্যা কৰি নিজেই আত্মহত্যা কৰাৰ প্ৰয়াস কৰিছিল যদিও বৰ্তমান হাস্পতালত ভৰ্তি হৈ থকা ভূপেন দাসে হাস্পতালত আত্মহত্যা কৰাৰ প্ৰয়াস কৰা বুলি জানিব পৰা গৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন দাসে হাস্পতালৰ বিছনাত চৰম সিদ্ধান্ত লোৱাৰ প্ৰয়াস কৰিছিল বুলি জানিব পৰা গৈছে। চিকিৎসাধীন অৱস্থাতে আহাৰ খাবলৈ দিয়া চামুচেৰে হাতৰ স্নায়ু কটাৰ চেষ্টা কৰিছিল ভূপেনে। মৌচুমীক ডেগাৰেৰে আক্ৰমণ কৰি ৰাজপথত পেলাই থৈ কিছু নিলগত নিজকে শেষ কৰি দিয়াৰ প্ৰয়াস কৰা ভূপেন দাসক সিদিনাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল। প্ৰেমিকাক হত্যা কৰি নিজেও আত্মহত্যা কৰাৰ প্ৰয়াস কৰা অহৌবলিয়া ভূপেন দাস বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈ আছে। ভূপেন দাস আৰু মৌচুমী গগৈ দুয়োজন বিবাহিত আছিল। কিন্তু মৌচুমী গগৈৰ স্বামীৰ মৃত্যু হৈছে। গুৱাহাটীৰ বশিষ্ঠত ভাড়াতীয়া হিচাপে থকা পেচাত চালক ভূপেন দাসৰ পত্নী আৰু দুই সন্তান আছে। গাড়ী চলাই পৰিয়াল চলাই আহিছিল। কিন্তু হঠাতে পুনৰবাৰ প্ৰেমত পৰিছিল চালক ভূপেন। টিংখাঙৰ নলনী কপহুৱা গাঁৱৰ মৌচুমী গগৈয়ে ২০১৫ চনত টিংখাঙৰে ন চাউদাং গাঁৱৰ আৰক্ষীত চাকৰি কৰা প্ৰভাকৰণ চেতিয়াৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। ২০১৯ চনত এক পথ দুৰ্ঘটনাত স্বামী প্ৰভাকৰণ চেতিয়াৰ মৃত্যু হয়। স্বামীৰ মৃত্যুৰ সময়ত এটি তিনি বছৰীয়া কন্যা সন্তানৰ মাতৃ আৰু আন এটি সন্তান গৰ্ভত আছিল। স্বামীৰ মৃত্যুৰ প্ৰায় এমাহৰ পাছতে মৌচুমীয়ে দ্বিতীয় কন্যা সন্তানৰ মাতৃ হয়। কিন্তু দ্বিতীয় কন্যাৰ মৃত্যু হয়। ২০২১ বৰ্ষতে স্বামী গৃহ ত্যাগ কৰি মৌচুমী গুৱাহাটীলৈ অহাৰ পিছতে লগ পাইছিল চালক ভূপেনক। তেতিয়াৰ পৰাই দুয়োৰে মাজত গভীৰ সম্পৰ্ক গঢ়ি উঠিছিল। গুৱাহাটীলৈ অহাৰ পাছৰে পৰা কন্যাৰ সৈতেও সম্পৰ্ক ছেদ কৰিছিল মৌচুমীয়ে। পৰিয়ালে মৌচুমীৰ মৃতদেহ পৰিয়ালে টিংখাঙৰ বাসগৃহলৈ নিনিয়াৰ সিদ্ধান্ত লৈ নৰগ্ৰহ শ্মশানত মৌচুমীৰ মৃতদেহ শেষকৃত্য সম্পন্ন কৰে। মৌচুমীৰ ভাতৃয়ে ভূপেনৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখা পিন্ধক! বাঘ খেদাৰ উপায়

ত্ৰাহি কৰিছে। যদিও অসম বিজেপিৰ নেতাসকল ডাঙৰ ডাঙৰ কথা কোৱাত কোনে গুণে কম নহয়। প্ৰতিটো বিষয়ত পাৰ্গত বিজেপি নেতাই সকলো সমস্যাৰ সমাধান দি কথাহে ক'ব জানে। কথা যেন এইবাৰ তেনেকুৱাই। বিয়াগোম বন বিভাগৰ নামৰ নিষ্কৰ্মা বিভাগটোৰ বাবে অসমৰ বিভিন্ন প্ৰান্তত মানুহে শান্তিৰে টোপনি মাৰিব পৰা নাই। হাতী-বাঘৰ আতংকৰ বাবে মানুহে আতংকত দিন পাৰ কৰিছে। বাঘৰ পৰা মানুহক বচাবলৈ অদ্ভুত উপায় উদ্ভাৱন কৰিছে বিজেপিৰ নেতাই। বিজেপি নেতাৰ মন-মগজুত তাৰ সমিধান আছিল যদিও বহু পলমকৈ সেই কথা ব্যক্ত কৰে। যদি পূৰ্বেই সমিধান দিলেহেঁতেন তেন্তে ২১ ডিচেম্বৰত নগাঁও জিলাৰ কলিয়াবৰত বাসুদেৱ কৰ্মকাৰক বাঘে চিকাৰ কৰি ভক্ষণ কৰিব নোৱাৰিলেহেঁতেন। ২১ ডিচেম্বৰত কলিয়াবৰৰ শিলঘাট-সোণাৰি অঞ্চলৰ পাহাৰত ৫৫ বছৰীয়া বাসুদেৱ কৰ্মকাৰক চিকাৰ কৰি শৰীৰ ভক্ষণ কৰিছিল বাঘে। এইবাৰ বাঘৰ সন্ত্ৰাস আৰম্ভ হৈছে ৰাজধানী চহৰ গুৱাহাটীত। গুৱাহাটীত বাঘৰ সন্ত্ৰাস আৰম্ভ হোৱাত বাঘৰ পৰা ৰক্ষা পোৱাৰ উপায় উদ্ভাৱন কৰিলে বিজেপি নেতা তথা দিছপুৰীয়া বিধায়ক অতুল বৰাই। চৰকাৰে সাধাৰণ নাগৰিকক হিংস্ৰ বনৰীয়া জীৱ-জন্তুৰ পৰা ৰক্ষা কৰিব পৰা নাই যদিও অতুল বৰাই বাহুল্য উপায় দি মানুহক অট্টহাস্য কৰাই নহয় ইতিকিং কৰিছে। বাঘে আগফালৰ পৰা আক্ৰমণ নকৰে, সেয়েহে পিছফালে এখন বিশেষ মুখা পিন্ধি ল'লে মানুহে বাঘৰ পৰা ৰক্ষা পাৰিব বুলি দাবী কৰিছে অতুল বৰাই। পাঞ্জাবাৰীৰ জুৰিপাৰত এটা নাহৰফুটুকী মানুহৰ ঘৰত সোমাই আতংকৰ সৃষ্টি কৰাৰ সময়তে আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি দিছপুৰৰ বিজেপিৰ বিধায়ক অতুল বৰাই বাঘৰ পৰা নিজকে ৰক্ষা কৰিবলৈ উপায় ৰাজহুৱা কৰে। বিধায়কগৰাকীয়ে এখন বিশেষ মুখা দেখুৱাই বাঘৰ পৰা ৰক্ষা কৰিবলৈ পৰামৰ্শ দি কয় যে বাঘে সদায় পিছফালৰ পৰা আক্ৰমণ কৰে। বাঘে কেতিয়াও আগফালৰ পৰা আক্ৰমণ নকৰে। সেয়েহে বাঘৰ আক্ৰমণৰ আশংকা থকা অঞ্চলৰ মানুহে যদি পিছফালে এখনকৈ মুখা পিন্ধি লয় তেতিয়া বাঘৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰিব পাৰিব। ইপিনে, গুৱাহাটীৰ মানুহৰ ঘৰত বাঘ সোমোৱাত প্ৰতিক্ৰিয়া দি বন ধ্বংস হোৱাৰ কথা স্বীকাৰ কৰি বিধায়ক বৰাই কয় যে বাঘ মানুহৰ ঘৰত সোমোৱা নাই, বাঘৰ ঘৰত সোমাইছে মানুহ। মানুহবোৰে হাবি-জংঘল কাটি পাহাৰ থকা বাঘৰ ঘৰত সোমাইছে। তাৰ বাবে গুৱাহাটীত বাঘ ওলাইছে। লগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে হাতত লোৱা অমৃত বৃক্ষ আন্দোলনক ককৰ্থনা কৰিছে। বিধায়ক বৰাই কয় যে ৰাজ্যৰ সকলো ঠাইত হাতী-মানুহৰ সংঘাত হৈছে। চৰকাৰে অমৃত বৃক্ষ আন্দোলনৰ নামত এক কোটি গছ ৰোপণ নকৰি বন্যহস্তীৰ উপদ্ৰৱ কমাবলৈ চৰকাৰী ভূমিত কল-কুঁহিয়াৰৰ খেতি কৰা হ'লে হাতী-মানুহৰ সংঘাত ৰোধ হ'লহেঁতেন বুলিও দাবী কৰে বিধায়ক বৰাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘বিজেপিক কিয় ভোট নিদিব’ উন্মোচন

বিৰল অৰিহণা আছে। জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদক উদ্বুদ্ধ কৰা সাদিন-প্ৰতিদিন গোষ্ঠীয়ে অসমত জনমত গঠনত বৃহৎ অৰিহণা যোগাই চৰকাৰৰ বিপক্ষে থিয় দি আহিছে। সাপ্তাহিক সাদিন আৰু অসমীয়া প্ৰতিদিনে চৰকাৰৰ বিৰুদ্ধে বিনাদ্বিধাই মুখৰ হৈ ৰাইজৰ পক্ষত থাকি কাম কৰি গৈছে। নিৰ্ভীক তথা ৰাজনৈতিক দলৰ নেতাই পৰিচালনা নকৰা অসমৰ অন্যতম সংবাদ গোষ্ঠীটোৰ নিউজ চেনেল ‘প্ৰতিদিন টাইম’ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াৰ সম্পাদিত ‘বিজেপিক কিয় ভোট নিদিব’? শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। আজি প্ৰতিদিন টাইমৰ কাৰ্যালয়ত সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষক জয়ন্ত বৰুৱাই ‘বিজেপিক কিয় ভোট নিদিব’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। প্ৰতিদিন কাকতৰ কাৰ্যবাহী সম্পাদক ধৈৰ্য্য হাজৰিকা, প্ৰতিদিন টাইমৰ সাংবাদিক নয়ন প্ৰতীম কুমাৰ আৰু পাৰ্থ বৰুৱাৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰা হয়। সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই গ্ৰন্থখন উন্মোচন কৰি সংবাদমাধ্যমত দিয়া সাক্ষাৎকাৰত ৰাজ্য চৰকাৰৰ নীতিয়ে গ্ৰাম্য অৰ্থনীতি থান-বান কৰাৰ গুৰুতৰ অভিযোগ আনিছে। চৰকাৰথনে নিৰাশাৰ বাতাবৰণ গঢ়ি তোলাৰ লগতে আশাৰ সঞ্চাৰ কৰিব পৰা নাই বুলি আক্ষেপ কৰে। অসমত কংগ্ৰেছ চৰকাৰ থকা কালত প্ৰতিদিন গোষ্ঠীয়ে কংগ্ৰেছৰ ভুল নীতিৰ বিৰুদ্ধে বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ বিৰুদ্ধে জনমত গঠন আৰু নিৰ্দিষ্ট দল এটাক বিকল্প কৰিবলৈ প্ৰতিদিন গোষ্ঠীয়ে সক্ৰিয় ভূমিকা পালন কৰিছিল। আজি সেই বিষয়ত সাদিন-প্ৰতিদিন গোষ্ঠীৰ মুখ্য হোতা জয়ন্ত বৰুৱাই স্পষ্ট মতামত ব্যক্ত কৰিছে। জয়ন্ত বৰুৱাই স্পষ্টকৈ কৈছে যে বিজেপিক ভোট দিব নালাগে বুলি যিটো এটা বুদ্ধিজীৱি মহলে জোৱাৰ সৃষ্টি কৰাৰ চেষ্টা কৰিছিল, সেই চেষ্টাৰ বিপক্ষে সাদিন-প্ৰতিদিন গোষ্ঠী থিয় হৈছিল। এটা বিতৰ্কৰ মাজত ৰাইজক আমি বুজোৱাৰ চেষ্টা কৰিছিলো। কংগ্ৰেছৰ ভ্ৰষ্টাচাৰৰ বিপক্ষে কিয় বিজেপিক ভোট দিব লাগে। পৰৱৰ্তী সময়ত দেখা গ'ল যে আমাৰ সংবাদজগতৰ অকল সাদিন-প্ৰতিদিন গোষ্ঠীয়ে নহয়, গোটেই অসমৰ সংবাদ জগতৰ এটা বিড়ম্বনা এটায়ে যে সংবাদজগতে এখন ভ্ৰষ্টাচাৰী চৰকাৰক উৎখাত কৰাৰ আপ্ৰাণ চেষ্টা কৰে। আৰু পৰৱৰ্তী চৰকাৰখন ৰাইজৰ লগত লগ হৈ বহুত আস্থাৰে বহাই। যেতিয়া এইখন চৰকাৰেও আগৰ চৰকাৰখনৰ দৰেই ভ্ৰষ্টাচাৰত নিমজ্জিত হয় তেতিয়া সংবাদজগতখন বহুত নিৰাশাত ভোগে। যিটো আজিৰ দিনত আশা-নিৰাশাৰ এটা সংজ্ঞা চলি আছে। সংজ্ঞাক আঁতধৰি ক'ব বিচাৰো যে তুমি ফ্লাই অভাৰ বনালে নহ'ব। ফ্লাই অভাৰৰ তলত থকা যিখিন ৰাইজ, যিখিনি জনতা সেইখিনিয়ে খোৱা পানী পাইছে নে নাই, কৃত্ৰিম বানত আক্ৰান্ত হৈ জনতাৰ যিটো পৰিৱেশ হয় সেইটোৰ পৰা তুমি উদ্ধাৰ কৰিব পাৰিছা নে নাই। সিটোৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। কিন্তু তুমি ফ্লাই অভাৰ বনাইছা। কাৰ কাৰণে বনাইছা? যিসকলৰ গাড়ী আছে, তেওঁলোকে ফ্লাই অভাৰেৰে পাৰ হৈ যাব। তেওঁলোকৰ সুবিধা হ'ব। মন্ত্ৰী, বিধায়ক, ডাঙৰ ডাঙৰ আমোলা আছে, তেওঁলোকৰ বাবে ফ্লাই অভাৰ। ফ্লাই অভাৰ জনতাৰ কাৰণে হোৱা নাই বুলিও কয় বৰুৱাই। সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ বৰুৱাই কয় যে জনতাৰ বাবে হ'ব লাগিলে খোৱা পানী হ'ব লাগিব, কৃত্ৰিম বানৰ পৰা উদ্ধাৰ হ'ব লাগিব। তেতিয়া আমি দেখিম যে তেতিয়া এটা আশাৰ সঞ্চাৰ হৈছে অসমত। আজিৰ তাৰিখত অসমত আশাৰ সঞ্চাৰ হোৱা নাই। এইটো এটা নিৰাশাৰ বাতাৱৰণ সৃষ্টি হৈ আছে। এইকাৰণে কোৱা হৈছে ১২৫০ৰ অৰুণোদয়। তুমি অসমৰ যিটো গ্ৰাম্য অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি চলা এখন ৰাজ্য চলাইছা, তাত তুমি ১২৫০ টকা দি গোটেই গ্ৰাম্য অৰ্থনীতি থান-বান কৰি দিছা। কিয়? একমাত্ৰ ভোট বেংকৰ কাৰণে। এইটোত আমি আশা দেখা নাই। এইটোত আমি নিৰাশা দেখিছো। ভৱিষ্যত অসমীয়া প্ৰজন্মৰ বাবে অতি নিৰাশাৰ বাতাৱৰণ সৃষ্টি কৰিছে বুলি কৈ বৰুৱাই চৰকাৰক ইয়াৰ পৰা তোমালোক আঁতৰি আহা বুলি কয়। বৰুৱাই লগতে কয় যে তোমালোকে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ চেষ্টা কৰা। আজি এই কিতাপখন উন্মোচন কৰি আনন্দিত এইটো কাৰণেই যে আমাক সংবাদজগতক সময়ে সময়ে বহুত ধৰণৰ নামাকৰণেৰে নামকৰণ কৰা হয়। নামকৰণ কি কৰা হয়। এওঁ কংগ্ৰেছ পন্থী। এওঁ বিজেপি পন্থী। এওঁ আলফা পন্থী। কিন্তু সেই নামাকৰণ আমাক কৰি লাভ নাই। কাৰণ যিসময়ত বিজেপিক গোটেই, সমগ্ৰ বুদ্ধিজীৱিখিনিয়ে ভোট দিব নালাগে কৈছিল, সেই সময়ত আমি বিজেপিক ভোট দিবলৈ আহ্বান এইকাৰণে জনাইছিলো কাৰণ কংগ্ৰেছৰ ভ্ৰষ্টাচাৰ ইমান হৈ গৈছিল যে সেই ভ্ৰষ্টাচাৰৰ পৰা অসমৰ জনতাক উদ্ধাৰ কৰাৰ স্বাৰ্থত বিজেপিক আঁকোৱালি ল'বলৈ জনতাক আমি আহ্বান জনাইছিলো। জনতাই সেই আহ্বান স্বীকাৰ কৰি, জনতাই গ্ৰহণ কৰিলে, আজিৰ তাৰিখত বিজেপিৰ চৰকাৰ হ'ল। সেই কংগ্ৰেছৰ দিনৰ কিছুমান ভ্ৰষ্টাচাৰী নেতা এই বিজেপি দলত সোমাইছে। বিজেপি দলো আকৌ আগৰ কংগ্ৰেছৰ দৰে অৱস্থালৈ ঘুৰি গ'ল। আমি আশা কৰো। আমি আশাৰ বতৰা নিব খোজো। কিন্তু নেতাসকলে নিৰাশাৰ বাতাৱৰণেৰে গোটেই জনতাক থান-বান কৰি দিছে। ইয়াৰ বাবে আমি সংবাদজগতে ভূমিকা ল'ব লাগিব বুলিও কয় জয়ন্ত বৰুৱাই। সাংবাদিক নিতুমণি শইকীয়াৰ এই গ্ৰন্থখন প্ৰকাশন গোষ্ঠী বনলতাই প্ৰকাশ কৰিছে। ২০১৬ চনত অসমত বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পূৰ্বে হোৱা বৌদ্ধিক বিতৰ্কক ঠাই দিছে। বিভিন্ন সময়ত বাতৰি কাকতত প্ৰকাশ পোৱা ৰাজনৈতিক বিষয়ক লেখাক এই গ্ৰন্থত স্থান দিয়া বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মনমোহন সিঙক অপমান চৰকাৰৰ!

ৰাহুল গান্ধীয়ে। শনিবাৰে ছ'চিয়েল মিডিয়াত এক পোষ্টত তেওঁ কয়, “আজি দিল্লীৰ নিগমবোধ ঘাটৰ শ্মশানত মনমোহন সিঙৰ শেষ ৰীতি-নীতি পালন কৰি কেন্দ্ৰই ভাৰত মাতৃৰ মহান পুত্ৰ তথা প্ৰথম শিখ প্ৰধানমন্ত্ৰী মনমোহন সিঙক অপমান কৰিছে।” ৰাহুলে দাবী কৰে যে এতিয়ালৈকে দেশৰ সকলো প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ শেষ ৰীতি-নীতি নিৰ্দিষ্ট স্মৃতিসৌধ বা সমাধিস্থলত সম্পন্ন কৰা হৈছে, য'ত সাধাৰণ লোকেও শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ যাব পাৰে। কিন্তু মনমোহন সিঙৰ বাবে তাৰ ব্যতিক্ৰম হ'ল। তেওঁৰ মতে মনমোহন সিঙৰ বাবেও এটা নিৰ্দিষ্ট স্থান থকা উচিত আছিল, য'ত সাধাৰণ জনতাইও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাব পাৰে। ৰাহুল গান্ধীয়ে লগতে কয়, "মনমোহন সিং সৰ্বোচ্চ সন্মান আৰু এটা নিৰ্দিষ্ট 'সমাধিস্থল'ৰ যোগ্য। চৰকাৰে দেশৰ এই মহান পুত্ৰক সেই সন্মান দেখুৱাব পাৰিলেহেঁতেন।" শনিবাৰে নিগমবোধ ঘাটৰ শ্মশানত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ অন্তিম অনুষ্ঠান সম্পন্ন কৰাৰ সিদ্ধান্তত কংগ্ৰেছে তীব্ৰ আপত্তি প্ৰকাশ কৰিছে। কংগ্ৰেছৰ প্ৰশ্ন- দেশৰ কোনো এজন প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ শেষ ৰীতি-নীতি এই শ্মশানত ইয়াৰ পূৰ্বে সম্পন্ন হৈছেনে? তেওঁলোকে দাবী কৰে যে ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী আৰু অটল বিহাৰী বাজপেয়ীৰ স্মৃতিসৌধ থকা ৰাজঘাটৰ সমীপৰ কোনোবা ঠাইত মনমোহন সিঙৰো শেষ অনুষ্ঠান সম্পন্ন হ'লে বহুত বেছি মৰ্যাদাপূৰ্ণ হ'লহেঁতেন। কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেকে ধৰি অন্যান্য নেতাই দাবী কৰিছে যে নিগমবোধ ঘাটৰ শ্মশান স্মৃতিসৌধ নিৰ্মাণৰ বাবে উপযুক্ত স্থান নহয়। ইফালে, স্মৃতিসৌধ নিৰ্মাণক লৈ বিতৰ্কৰ মাজতে শুকুৰবাৰে নিশা কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এক বিবৃতি প্ৰকাশ কৰে। মনমোহন সিঙৰ স্মৃতিসৌধৰ বাবে মাটি আবণ্টন দিবলৈ চৰকাৰক দাবী জনাইছিল কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে, আৰু সেই দাবী চৰকাৰে মানি লৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে এই সন্দৰ্ভত মনমোহন সিঙৰ পৰিয়ালৰ সৈতে আলোচনা কৰা হৈছে আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ স্মৃতিসৌধৰ বাবে এটা স্থান আবণ্টন দিয়া হ'ব বুলি জানিবলৈ দিয়ে। অৱশ্যে তেওঁ কয় যে এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পূৰ্বে মনমোহন সিঙৰ শেষ ৰীতি-নীতি আৰু অন্যান্য আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিব লাগিব, কিয়নো স্মৃতিসৌধ নিৰ্মাণৰ বাবে এটা ট্ৰাষ্ট গঠন কৰিব লাগিব। আৰু সেই ট্ৰাষ্টেই মাটি আবণ্টনৰ দায়িত্ব ল'ব।

## বৰপেটাৰ বিভিন্ন প্ৰান্তত মেলাৰ নামত অবাধে চলিছে জুৱা

**ই-সংবাদ, কলগাছিয়া, ২৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ অন্তৰ্গত বিশেষকৈ সংখ্যালঘু বসতি প্ৰধান অঞ্চলসমূহত যোৱা নৱেম্বৰ মাহৰপৰা ধাৰাবাহিকভাৱে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি দিনে নিশাই উচ্চ-স্বৰৰ ছাউণ্ড ছিষ্টেম বজাই বিদেশী শিল্পীৰ দ্বাৰা নাচ-গান কৰি থকা পৰিলক্ষিত হৈছে। অসম আৰু অসমীয়াৰ সাংস্কৃতিক জগতখনক বিদেশী শিল্পীৰ দ্বাৰা ম্লান কৰা বুলি আমছুৰ বৰপেটা জিলা সমিতিয়ে অভিযোগ কৰিছে। আমছুৱে জানিবলৈ দিয়ে যে এই সাংস্কৃতিক অনুষ্ঠানৰ নামত উদ্যোক্তাসকলে বিভিন্ন ধৰণৰ কু-সংস্কাৰৰ লগতে জুৱা আদি অসামাজিক কাম-কাজ চলাই থকাৰ মাজতেই অঞ্চলসমূহত ড্ৰাগছ আসক্তৰ সংখ্যাও বৃদ্ধি পাইছে। আনহাতে, বৰ্তমান সময়ত স্নাতক বৰ্ষৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় যান্মাসিকৰ চূড়ান্ত পৰীক্ষা চলি আছে আৰু অহা ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখৰ পৰা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। উক্ত পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুতি চলাই থকাৰ মাজতেই এই ধৰণৰ অসামাজিক গান বাজনা, বিদেশী শিল্পীক আমন্ত্ৰণ কৰি সাংস্কৃতিক মঞ্চ উত্তাল কৰি ৰখা কাৰ্যক আমছুৱে তীব্ৰ গৰিহণা দিয়ে। লগতে যিসকল ব্যক্তিৰ ডি ভোটাৰৰ গোচৰ চলি আছে সেইসকল ব্যক্তিৰ মাজৰ পৰা কিছুমানে অইনী প্ৰক্ৰিয়াৰ মাজেৰে জামিন লাভ কৰিছে বুলি আমছুৱে জানিবলৈ দিয়ে। কিন্তু তাৰ পিছতো অসম আৰক্ষীয়ে জামিন লাভ পোৱা ব্যক্তিক কৰায়ত্ত কৰা বুলি আমছুৰ দৃষ্টি গোচৰ হোৱা বুলি উল্লেখ কৰে। আমছুৱে ভৱিষ্যত প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি প্ৰশাসনক শীঘ্ৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ নামলৈ চলি থকা জুৱা, বিদেশী শিল্পীক আমন্ত্ৰণ জনোৱা আদি কাৰ্য বন্ধ কৰাৰ লগতে ডি ভোটাৰৰ ক্ষেত্ৰত জামিন লাভ কৰা ব্যক্তিৰ ওপৰত দৃষ্টি ৰাখি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। এই ক্ষেত্ৰত বৰপেটা জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক এনে অবৈধ জুৱা খেল বন্ধ কৰাৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে আমছুৱে। এইবিলাক কাৰ্য অতি সোনকালে বন্ধ নহ'লে বৰপেটা জিলা আমছুৰ তৰফৰ পৰা গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি ছাত্ৰ সংগঠনটোৱে সকীয়াই দিয়ে।



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ দৰা চেম্পিয়ন, ভাৰতৰ গৌৰৱ গুকেশৰ

## মোৰাঝাৰ আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান, ড্ৰাগছ জব্দ

# ড্ৰাগছ ব্যৱসায়ত নামিল মহিলা! মোৰাঝাৰত ৩মহিলাক আটক আৰক্ষীৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৮ ডিচেম্বৰঃ** হোজাইৰ মোৰাঝাৰত ড্ৰাগছ বিৰুদ্ধে অভিযান চলাই মোৰাঝাৰ আৰক্ষীয়ে দুগৰাকী মহিলাক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্যে যে নিষিদ্ধ সন্দেহযুক্ত ড্ৰাগছসহ মোৰাঝাৰ থানাৰ অন্তৰ্গত পশ্চিম যমুনাগাঁৱৰ পৰা আজি পুৱাৰ ভাগত আৰক্ষীয়ে অভিযান চলাই আটক কৰে দুয়োগৰাকী মহিলাক। লগতে পাঁচটা চাবোন বাকছ ভৰ্তি সন্দেহযুক্ত নিষিদ্ধ ৬০ গ্ৰাম ড্ৰাগছ জব্দ কৰে। ধৃত মহিলা দুয়োগৰাকী ক্ৰমে আকিৰুন নেছা(৩১) আৰু আলিমুন নেছা(৩০) বুলি জানিব পৰা গৈছে। ইপিনে, কালি নিশা মোৰাঝাৰৰ বৰবালিত অভিযান চলাই নিষিদ্ধ ড্ৰাগছ ভৰ্তি চাৰিটা কণ্টেইনাৰসহ এগৰাকী মহিলা আটক কৰে। আটকাধীন মহিলাগৰাকীৰ নাম ৰুমি বেগম। ৰুমিৰ স্বামী আৰক্ষী অহাৰ উমান পাই পলাই যাবলৈ সক্ষম হয়। উল্লেখ্য যে মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তথা পৰিদৰ্শক নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত আৰক্ষীয়ে দুই প্ৰান্তত চলোৱা অভিযানত সফলতা লাভ কৰে। ইপিনে, মহিলা কেইগৰাকীক বাতৰি লিখা পৰলৈকে আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে।




অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ ড০ সব্যসাচী মহন্তলৈ 'শিক্ষা পদ্ম' বঁটা, ফটোঃ ই-সংবাদ, শিৱসাগৰ

# অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ ড০ সব্যসাচী মহন্তলৈ 'শিক্ষা পদ্ম' বঁটা

**ই-সংবাদ, শিৱসাগৰ, ২৮ ডিচেম্বৰঃ** অসমৰ অন্যতম জাতীয় অনুষ্ঠান অসমীয়া যুৱ মঞ্চ আৰু অসমীয়া মহিলা মঞ্চই যোৱা ২৬ ডিচেম্বৰত বিশিষ্ট গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ, কবি তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড০ সব্যসাচী মহন্তলৈ তেওঁৰ কৰ্মৰাজিৰ দীৰ্ঘদিনীয়া স্বীকৃতি হিচাপে প্ৰদান কৰে 'শিক্ষা পদ্ম' বঁটা-২০২৪। সংগঠনটোৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত, সাপেখাটী আঞ্চলিক সমিতি আৰু চৰাইদেউবাসী ৰাইজৰ সহযোগত সাপেখাটী চাৰিআলি ৰাজহুৱা প্ৰেক্ষাগৃহৰ প্ৰাংগণত আয়োজিত অসমীয়া যুৱ মঞ্চ আৰু অসমীয়া মহিলা মঞ্চৰ ১৯ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত তেওঁক এই সন্মান প্ৰদান কৰে। বঁটাটি গ্ৰহণ কৰি সংগঠনটোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশেৰে ড০ সব্যসাচী মহন্তই কয় যে সামাজিক, শৈক্ষিক, বৌদ্ধিকভাৱে অধিক দায়িত্বশীল, দায়বদ্ধ কৰি তুলিলে। আকৌ এবাৰ জাতীয় জীৱনৰে সংপৃক্ত হৈ পুনৰ এবাৰ সেৱাৰ মনোভাৱ আৰু সমৰ্পিত মনোভাৱেৰে নতুন উদ্যম, নতুন উৎসাহেৰে এক নতুন জীৱন পৰিকল্পনাৰে আগবাঢ়ি যোৱাৰ শক্তি-উদ্দীপনা প্ৰদান কৰিছে। আনহাতে 'স্বাভিমান' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে ডাঃ প্ৰকাশ বৰগোহাঁয়ে। অনুষ্ঠানত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি যাদৱ গগৈ, প্ৰাক্তন সভাপতি ধৰ্মকান্ত গগৈ, প্ৰাক্তন সম্পাদক মণ্টু দাস, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি দেৱজিৎ দত্তৰ লগতে অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় নেতৃবৰ্গ উপস্থিত থাকে। জাগৃত মহিলা মঞ্চ চৰাইদেউ সমিতিয়ে বঁটা প্ৰদান অনুষ্ঠানৰ পূৰ্বে সমবেত সংগীত পৰিৱেশন কৰে। ইফালে পুৱা অনুষ্ঠানৰ আৰম্ভণিতে বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়েৰে উলিওৱা বৰ্ণিল শোভাযাত্ৰা মুকলি কৰে বিশিষ্ট অভিনেত্ৰী প্ৰিয়ম পল্লৱীয়ে। নিশালৈ দেৱজিৎ বৰাৰ সংগীতানুষ্ঠানে অনুষ্ঠানত উপস্থিত থকা ৰাইজক মুগ্ধ কৰে।

# কোকিলাত অবৈধ খনন একাংশ বালি মাফিয়াৰ, নিৰ্বিকাৰ বন বিভাগ

**ই-সংবাদ, কোকিলা, ২৮ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আঞ্চলিক বন বিভাগৰ কৰ্মচাৰীয়ে চকু মুদা কুলি ভাও ধৰাৰ বাবেই দিনে-নিশাই কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত কোকিলা ১ ম খণ্ডত জেচিবি আৰু দহখন মান ট্ৰেক্টৰৰে চৰকাৰী মাটিত খনন কাৰ্য অব্যাহত ৰাখিছে দুষ্ট চক্ৰই। এই বিষয়ে বাৰম্বাৰ অভয়াপুৰী আঞ্চলিক বন বিভাগক খবৰ দিয়াৰ পিছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন হৈছে। বালি মাফিয়াসকলৰ পৰা মোটা অংকৰ ধনৰ বিনিময়ত বালি মাফিয়াক ৰক্ষণাবেক্ষণ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে বন বিভাগৰ বিৰুদ্ধে। ইফালে, নম্বৰবিহীন ট্ৰেক্টৰ আৰু এক্সেভেটৰৰ সহায়ত অভাৰ লোডিং কৰি ৰাস্তাত চলাচল কৰাত গাঁওবাসীৰ মাজত এক আতংকৰ সৃষ্টি হৈছে। বিগত কেইদিনমান পূৰ্বে কোকিলা ১ম খণ্ডৰ সচেতন যুৱক জাহিদুল ইছলামে চৰকাৰী মাটিত চলা অবৈধ খননৰ বিৰুদ্ধে অভয়াপুৰী সমজিলাৰ কাৰ্যলয়ক লিখিত অভিযোগ দাখিল কৰে। অভিযোগ লাভ কৰাৰ পিছত দুদিনমান বালি মাফিয়াসকলে কাম বন্ধ ৰাখি পুনৰ বন বিভাগক মেনেজ কৰি দিনে-নিশাই চৰকাৰী মাটি খনন কাৰ্য অব্যাহত ৰাখিছে। এতিয়া প্ৰশ্ন হয় কাৰ বলত বলীয়ান এই বালি মাফিয়াসকল? কাৰ আশীৰ্বাদ আছে এই বালি মাফিয়াৰসকলৰ ওপৰত? যাৰ ফলত লিখিত অভিযোগ দিয়াৰ পিছতো খনন কাৰ্য অব্যাহত ৰাখিব পাৰিছে বালি মাফিয়াসকলে। চৰকাৰৰ আৰু জিলা উপায়ুক্ত এই বালি মাফিয়াৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাধাৰণ ৰাইজে দাবী জনাইছে।




ৰূপাইত মন্ত্ৰী ৰূপেশ গোৱালা, জিলা আয়ুক্তৰ উপস্থিতিত মিছন বসুন্ধৰা ৩.০ ৰ সজাগতা সভা

## মাক্স মেলনৰ খেতিৰ জৰিয়তে স্বাৱলম্বী হৈছে কৃষক

# মৰিগাঁৱৰ বৰদিয়াৰ পৰা বিহাৰ, শিলচৰলৈ তৰমুজ ৰপ্তানি

ই-সংবাদ, লাহৰীঘাট, ২৮ ডিচেম্বৰঃ মৰিগাঁও জিলাৰ কৃষক ৰাইজৰ লগতে অসমৰ কৃষি খণ্ডৰ বাবে এক অত্যন্ত উৎসাহজনক আৰু সুখবৰ কঢ়িয়াই আনিছে মৰিগাঁও জিলাৰ বৰদিয়া অঞ্চলৰ কৃষকে। এতিয়া মৰিগাঁৱত উৎপাদিত তৰমুজ আৰু মাক্স মেলনে স্থানীয়ৰ লগতে ৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সক্ষম হোৱাত কৃষক ৰাইজ অধিক উৎসাহিত হৈছে। কালি মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনৰ ৰজামায়ং কৃষি চক্ৰৰ অন্তৰ্গত বৰদিয়াৰ পৰা বিহাৰলৈ প্ৰায় ১২ টন তৰমুজ আনুষ্ঠানিকভাৱে ৰপ্তানি কৰা হয়। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত প্ৰগতিশীল কৃষক হেমন্ত ডেকাই উৎপাদন কৰা তৰমুজসমূহ প্ৰতি কিলোগ্ৰাম প্ৰায় ১০ টকা দৰত বিহাৰৰ বজাৰলৈ আৰু আজিও কৃষকগৰাকীয়ে শিলচৰলৈ ১২ টন তৰমুজ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰম্ভ কৰা তৰমুজ খেতিয়ে স্থানীয় তথা অসমৰ বজাৰত সমাদৰ লাভ কৰাৰ পাছতেই আজি কৃষকগৰাকীয়ে উৎপাদিত তৰমুজ বিহাৰৰ বজাৰলৈ ৰপ্তানি কৰি আনন্দ প্ৰকাশ কৰে। লগতে তৰমুজ খেতিৰ দ্বাৰা অধিক স্বাৱলম্বী হ'ব পাৰিব বুলি মত প্ৰকাশ কৰে। প্ৰগতিশীল কৃষকগৰাকীয়ে কৃষি বিভাগৰ সহযোগত প্ৰায় ৩ বিঘা মাটিত আগতীয়াকৈ বজাৰ দখল কৰাৰ উদ্দেশ্যে উন্নত (ইন্দুচ) জাতৰ তৰমুজৰ খেতি কৰি আজি উৎপাদিত ফচলেৰে লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে। একেদৰে মাক্স মেলন(Musk Melon) খেতিৰে স্বাৱলম্বীতাৰ পথ প্ৰশস্ত কৰিছে জিলাখনৰ ৰজা মায়ং কৃষি চক্ৰৰ অন্তৰ্গত বৰদিয়া গাঁৱৰ প্ৰগতিশীল কৃষক লোহিত ডেকাই। প্ৰায় ৩ বিঘা মাটিত জিলা কৃষি বিভাগৰ সহযোগত মাক্স মেলনৰ খেতি কৰি আৰ্থিকভাৱে সফলতাৰ মুখ দেখিবলৈ সক্ষম হৈছে কৃষক গৰাকী। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাই কৃষকগৰাকীৰ মাক্স মেলনৰ খেতি পৰিদৰ্শন কৰি শস্যৰ উৎপাদন, উপযুক্ত বজাৰ আদি প্ৰসংগত বিতংভাৱে মতবিনিময় কৰে। ইয়াৰ লগতে কৃষি বিভাগৰ তৰফৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

# নগাঁও-বটদ্ৰৱাৰ লগতে জিলাখনৰ ৫সমষ্টিত ৰেচন কাৰ্ড বিতৰণ

**ই-সংবাদ, পুৰণিগুদাম, ২৮ ডিচেম্বৰঃ** নগাঁৱৰ নেহৰুবালী খেলপথাৰত নগাঁও-বটদ্ৰবা সমষ্টিৰ নতুন ৰেচনকাৰ্ডপ্ৰাপ্ত হিতাধিকাৰীসকলক আজি ৰেচনকাৰ্ড বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি নগাঁও-বটদ্ৰবা সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে বহুকেইগৰাকী হিতাধিকাৰীৰ মাজত ৰেচনকাৰ্ড প্ৰদান কৰে। বিধায়ক শৰ্মাই তেওঁৰ ভাষণ প্ৰসংগত উল্লেখ কৰে যে, ৰেচনকাৰ্ড হ'ল এটা পৰিয়ালৰ পৰিচয় পত্ৰ, ইয়াৰ জৰিয়তে বৰ্তমানৰ চৰকাৰখনে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনি বিশেষকৈ অৰুণোদয়, আয়ুষ্মান ভাৰত আদিৰ সুবিধা লাভ কৰিবলৈ ৰাইজসকল সক্ষম হ'ব। তেওঁ ভাষণত উল্লেখ কৰে যে, আগতে এটি দৰিদ্ৰ পৰিয়ালে এখন ৰেচনকাৰ্ড লাভ কৰিবলৈ বহু অসুবিধাৰ সন্মুখীন হৈছিল আনকি ধনৰো লেনদেন হৈছিল, কিন্তু এতিয়া সম্পূৰ্ণ নিকা স্বচ্ছভাৱে ৰেচনকাৰ্ড বিতৰণ কৰা হৈছে। ইয়াৰ বাবে বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। বিধায়কগৰাকীয়ে লগতে কয় যে, আজিৰ এই অনুষ্ঠানত ৪ গৰাকী বা ততোধিক সদস্যভুক্ত পৰিয়ালক নতুন ৰেচনকাৰ্ড প্ৰদান কৰা হৈছে। বাকী থকা পৰিয়ালসমূহক পৰ্যায়ক্ৰমে বিতৰণ কৰা হ'ব। উল্লেখ্য যে, নগাঁও-বটদ্ৰবা সমষ্টিত ৩,১৫৫ খন নতুন ৰেচনকাৰ্ড প্ৰদানৰ জৰিয়তে ১৩,৮১১ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। আজিৰ সভাৰ আৰম্ভণিতে ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ডও মনোমোহন সিঙৰ পৰলোক গমনত গভীৰ শোক প্ৰদান কৰি স্বৰ্গগত আত্মাৰ সৎগতিৰ বাবে দুই মিনিটৰ মৌন প্ৰাৰ্থনা কৰা হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে খাগৰিজান খণ্ড উন্নয়ন বিষয়া কৃষ্ণকান্ত শইকীয়াই। আজিৰ এই অনুষ্ঠানত নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, অতিৰিক্ত জিলা আয়ুক্ত পংকজ নাগবংশীকে প্ৰমুখ্য কৰি বহুসংখ্যক হিতাধিকাৰী আৰু ৰাইজ উপস্থিত থাকে। আজি জিলাখনৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ বঢ়মপুৰ শ্বহীদ ভৱনত আয়োজিত নতুন ৰেচনকাৰ্ড প্ৰদান অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে। এই অনুষ্ঠানত ৩,৬৪৫ খন নতুন ৰেচনকাৰ্ড বিতৰণ কৰা হয় আৰু ইয়াৰ দ্বাৰা ১৬,০০০ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। ৰহা বিধানসভা সমষ্টিৰ মহেন্দ্ৰ হাজৰিকা ভৱনত অনুষ্ঠিত সভাত ৩,২৪১ খন নতুন ৰেচনকাৰ্ড প্ৰদান কৰা হয় আৰু ইয়াৰ ফলত ১৩,২৬০ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। ধিং বিধানসভা সমষ্টিৰ জগন্নাথ মন্দিৰ মুকলি মঞ্চত অনুষ্ঠিত সভাত ২,২০৭ খন নতুন ৰেচনকাৰ্ড প্ৰদান কৰা হয় আৰু ইয়াৰ দ্বাৰা ৮,৯৯১ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। ৰূপহীহাট বিধানসভাৰ ৰূপহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত ৩,০২৪ খন নতুন ৰেচনকাৰ্ড প্ৰদান কৰা হয় আৰু ইয়াৰদ্বাৰা ১২,২০৪ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। চামগুৰি বিধানসভা সমষ্টিৰ পশ্চিম লৰিমুখ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত ৩,৪৭৪ খন নতুন ৰেচনকাৰ্ড প্ৰদান কৰা হয় আৰু ইয়াৰ ফলত ১৫,৩৩৬ গৰাকী হিতাধিকাৰী উপকৃত হ'ব।

# নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ কমিটী গঠন, ‘ৰক্তকৰবী’ৰ বাবে লেখা আহ্বান

**ই-সংবাদ, কলগাছিয়া, ২৮ ডিচেম্বৰঃ** অসমৰ প্ৰগতিশীল সাহিত্য সংগঠন নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ এখনি সাধাৰণ সভা কলগাছিয়াত অৱস্থিত অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন 'জ্যোতি ৰাভা নজৰুল সংঘ'ৰ বাকৰিত অলপতে অনুষ্ঠিত হৈ যায়। কলগাছিয়া শাখাৰ ন-পুৰণি কবি সাহিত্যিক, সতীৰ্থ আৰু শুভাকাংক্ষী সকলৰ উপস্থিতিত নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ ৩৮ সংখ্যক সন্মিলন উপলক্ষে অনুষ্ঠিত হোৱা প্ৰতিনিধি সন্মিলন আৰু সাধাৰণ সভাৰ জৰিয়তে পুৰণা সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। শাখাৰ সভাপতি মোঃ নূৰুল আমিনৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক ছায়েদ আলীয়ে। অনুষ্ঠানটোত জিলা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে বিশিষ্ট কবি তথা সাংবাদিক প্ৰবীণ কুমাৰ ৰায়। সভাত নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আবু ছায়েদ আহমেদক সভাপতি, নাট্যকাৰ ছায়েদ আলীক সম্পাদক, শ্বহিদুল ইছলাম আৰু আবু বক্কাৰ ছিদ্দিকক উপ-সভাপতি, জাহিদুল ইছলাম আৰু হাছিনা আহমেদক সহঃ সম্পাদক, দেৱান মোজাম্মেল হুছেইনক আলোচনী সম্পাদক, আব্দুল কদ্দুচ তালুকদাৰক ধনভঁড়ালী, ছফেৰ আলী আহমেদ, মজনুৰ ৰহমান, বাহাৰুল ইছলাম শিকদাৰ, ওচমান গণি আহমেদ, মৰিয়ম বেগম আৰু শাহানাজ চুলতানাক কাৰ্যকৰী সদস্য হিচাপে লৈ এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়। নতুন সমিতি গঠন কৰাৰ পিছত মুখপত্ৰ 'ৰক্তকৰবী'ৰ চতুৰ্দশ সংখ্যা প্ৰকাশ কৰি উলিওৱাৰ বাবে সম্পাদনা সমিতিখন গঠন কৰা হয়। প্ৰবীণ সাহিত্যিক মৌলানা আব্দুল হামিদ, দেৱান মোজাম্মেল হুছেইনক আলোচনী সম্পাদক, সাংবাদিক জাহিদুল ইছলাম, চানমামুদ আহমেদ আদিক লৈ সম্পাদনা সমিতিখন গঠন কৰা হয়। সম্পাদনা সমিতিয়ে নবীন-প্ৰবীণ লেখক-লেখিকাসকলৰ পৰা তথ্য গধুৰ গৱেষণামূলক প্ৰবন্ধ, গল্প, কবিতা আদি বিচাৰিছে। ইচ্ছুক লেখক-লেখিকাই অহা ১০ জানুৱাৰীৰ ভিতৰত 9954353763 আৰু 7002067410 হোৱাটছআপ নম্বৰত নাইবা jahiduli10@gmail.com মেইলযোগে লেখাসমূহ পঠিয়াব পাৰিব।

# প্ৰসিদ্ধ শিক্ষাবিদ, পদাৰ্থ বিজ্ঞানী ড০ অনিল কুমাৰ গোস্বামীৰ বিয়োগত দল-সংগঠনৰ শোক

**ই-সংবাদ, গুৱাহাটী, ২৮ ডিচেম্বৰঃ** দক্ষিণ কামৰূপৰ ঐতিহাসিক সত্ৰ খটিয়ামাৰী সত্ৰত ওপজা, প্ৰসিদ্ধ শিক্ষাবিদ, খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী, কটন মহাবিদ্যালয় (বৰ্তমান বিশ্ববিদ্যালয়)ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অসম বিজ্ঞান কাৰিকৰী আৰু পৰিৱেশ পৰিষদৰ অৱসৰপ্ৰাপ্ত সঞ্চালক, অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি ড০ অনিল কুমাৰ গোস্বামীৰ বিয়োগত ৰাজ্যখনৰ ভিন ভিন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত ৰাজ্যখনৰ পথিকৃৎ সাহিত্য অনুষ্ঠান বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয় যে পদাৰ্থ বিজ্ঞান জগতৰ এজন নমস্য ব্যক্তি ড০ গোস্বামী আছিল। বিজ্ঞানৰ লগতে সংস্কৃতিৰ প্ৰতিও আছিল প্ৰবল আত্মবিশ্বাস। ড০ গোস্বামীৰ বিয়োগত ছয়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ প্ৰাক্তন সভাপতি অৰুণ চন্দ্ৰ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈ, কাৰ্যকৰী সভাপতি ৰেণু মহন্ত, নিখিল ৰাভা লেখিকা সমাৰোহ সমিতিৰ মুখ্য উপদেষ্টা ড০ মলিনা দেৱী ৰাভা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কোষাধ্যক্ষ তাৰিণী কান্ত গোস্বামী, মুখপাত্ৰ শৈলেন তালুকদাৰ, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, মাহেকীয়া আলোচনী 'সংযোগ'ৰ সম্পাদক প্ৰশান্ত গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ মুখ্য আহ্বায়ক মদন দাস, লেখিকা সংস্থা, অসমৰ বামুণীমৈদাম শাখাৰ সম্পাদক পুতুলী ঠাকুৰীয়া মেধি, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান "ৰং" আদি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

# ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, গেলেকী, ২৮ ডিচেম্বৰঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ, অসম ৰাৰিয়ৰ্ছ শিৱসাগৰ জিলাৰ অন্তৰ্গত গেলেকী আঞ্চলিকৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। ২০২০ চনতে গঠন হৈছিল ৰাৰিয়ৰ্ছ গেলেকীৰ আঞ্চলিক সমিতিখন। পৰৱৰ্তী সময়ত বহু বাৰ নৱীকৰণৰ যোগেদি সমিতিখনৰ বিষয়ববীয়াৰ দায়িত্ব সম্প্ৰসাৰণ কৰা হয়। যোৱা গোলাঘাট কেন্দ্ৰীয় অধিৱেশনত শিৱসাগৰ জিলাৰ অন্যতম শ্ৰেষ্ঠ আঞ্চলিকৰ সন্মান খিতাপ দখল কৰিবলৈ সক্ষম হৈছিল ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে। বৰ্তমান এই সমিতিখনে বৃহত্তৰ গেলেকী আঞ্চলত বিভিন্ন নাৰীজনিত অপৰাধ ৰোধ কৰাৰ বাবে সজাগতা সভা, বিনামূলীয়া চিকিৎসা সেৱা কেন্দ্ৰ, নাৰী সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন বিনামূলীয়া কৰ্মশালাৰ আয়োজন কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। আঞ্চলিক সমিতিখনে ৪বছৰত ভৰি দিলেহি। এই উপলক্ষে আজি ১৫০ নং গেলেকী প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত এক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলৰ মাজত লঘু আহাৰ বিতৰণ কৰা হয়। আজি অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰকৰ বাবে আমন্ত্ৰণ জনাই অনা হয় চিত্ৰশিল্পী চফিকা ৰহমানক। প্ৰতিযোগিতাত বিজয়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় এই তিনিটা স্থানৰ প্ৰতিযোগীক ট্ৰ'ফী প্ৰদান কৰি সন্মান জনোৱা হয়। এই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাত উপস্থিত আছিল ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উপদেষ্টা ক্ৰমে আব্দুল হেলিম, ৰেকিবুল হুছেইন, মফিদা বেগম, সভানেত্ৰী ফৰিদাউল্লা, সম্পাদিকা পূৰবী নেওগ, বিত্ত সম্পাদিকা তনুজা বেগম, উপ-সভাপতি ৰাহিদ আলী, জনসংযোগ সম্পাদিকা দিলোৱাৰা বেগম, সদস্যা দিপামণি মৰাণ, বেনজীৰ নাৰফা আজম আদি।

# কলগাছিয়াত তৃতীয় পৰ্যায়ৰ ৰেচনকাৰ্ড বিতৰণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, কলগাছিয়া, ২৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ ২২ নং মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত আজি তৃতীয় পৰ্যায়ৰ নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে ৰূপায়ণ কৰা হয়। কলগাছিয়া ৰাজহুৱা খেল পথাৰ চৌহদত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জনীয়া সমষ্টিৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলাম উপস্থিত থাকি ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰে। ২২ নং মন্দিয়া বিধানসভা সমষ্টি ভিত্তিত সংযোজিত নতুন হিতাধিকাৰীৰ সংখ্যা ১৪,১৪৯ টাকৈ পৰিয়াল আৰু উপকৃত হোৱা পৰিয়ালৰ সংখ্যা ৩,২১২ হিতাধিকাৰীলৈ ৰেচন কাৰ্ড বিতৰণ কৰা হয়। লগতে যিসকল হিতাধিকাৰী বাদ পৰিছে সকলোকে নতুন ৰেচন কাৰ্ড দিয়াৰ বাবে আহ্বান জনায় বিধায়ক ড০ হাফিজ ৰফিকুল ইছলাম। আজিৰ এই ৰেচন কাৰ্ড বিতৰণ অনুষ্ঠানত উপস্থিত থাকে বৰপেটা জিলা অতিৰিক্ত আয়ুক্ত মৌচুমী চেতিয়া, কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱা, ৰূপসী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মঞ্জুশ্ৰী ঘোষ, হাউলী পৌৰসভাৰ পৌৰপতি অঞ্জলি দাস আদি কৰি ভালেসংখ্যক সমাজ সচেতন ব্যক্তি।

# জটিল ৰোগত আক্ৰান্ত ৰোগীৰ বাবে দান সাহায্য সংগ্ৰহ বীৰ লাচিত সেনাৰ

**ই-সংবাদ, মিৰ্জা, ২৮ ডিচেম্বৰঃ** বিগত কিছু মাহৰপৰা দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ পাৰাকুছি গাঁৱৰ ২৪ বছৰ বয়সৰ মেধাৱী ছাত্ৰী ভৈৰবী দাস জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে মুম্বাইৰ এখন চিকিৎসালয়ত। ভৈৰবী দাসৰ অস্ত্ৰোপচাৰৰ বাবে বহুখিনি অৰ্থৰ প্ৰয়োজন। ভৈৰবী দাসৰ ঘৰৰ আৰ্থিক অৱস্থা অতি শোচনীয় হোৱাৰ বাবে চিকিৎসাৰ ক্ষেত্ৰত অভাৱ হৈছে ধনৰ। যাৰ পৰিপেক্ষিতত আজি দক্ষিণ কামৰূপ বীৰ লাচিত সেনাৰ আঞ্চলিক সমিতিৰ মুখ্য সচিব প্ৰণৱ কুমাৰ দাসৰ নেতৃত্বত লগতে লাচিত সেনাৰ সৈনিকসকলে মেধাৱী ছাত্ৰীগৰাকীৰ চিকিৎসাৰ সহায়ৰ অৰ্থে হাতত দানপাত্ৰ লৈ দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত সহায়-সাহায্য বিচাৰি আগুৱাই আহে। উল্লেখ্য যে দক্ষিণ কামৰূপ বীৰ লাচিত সেনাৰ আঞ্চলিক সমিতিৰ মুখ্য সচিব প্ৰণৱ দাসে কয় যে যদি মেধাৱী ছাত্ৰী ভৈৰবী দাসৰ চিকিৎসাৰ বাবে ৰক্তদান কৰিবলগীয়া হয় তেতিয়া হ'লে মুম্বাইত গৈ ৰক্তদান কৰাৰ লগতে অন্যান্য সহায়ৰ বাবে বীৰ লাচিত সেনাৰ সৈনিকসকল তৎপৰ হৈ থাকিব। যদি কোনো সুহৃদ ব্যক্তিয়ে ভৈৰবী দাসৰ চিকিৎসাৰ বাবে সাহায্য দান কৰিব বিচাৰে তেন্তে তলত দিয়া বেংক একাউন্টত সাহায্য আগবঢ়াব পাৰে। একাউন্টৰ নামঃ ভৈৰবী দাস, বলেন চন্দ্ৰ দাস, একাউন্ট নম্বৰঃ 36055499940,43636203545 ifsc code - sbin0005242

# আগমনিত দুৰ্ঘটনাত ছাত্ৰী আহত

**ই-সংবাদ, গোলকগঞ্জ, ২৮ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত মইচা প্ৰথম খণ্ড গাঁৱত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া এক পথ দুৰ্ঘটনাত এগৰাকী ছাত্ৰী আহত হয়। আহত ছাত্ৰীগৰাকী গাঁওখনৰ কবৰুদ্দিন সেখৰ কন্যা হাফিজা খাতুন(১০)। জানিব পৰা মতে, অৰুণোদয় ছোৱালী মজলীয়া বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী হাফিজা বিদ্যালয় ছুটিৰ পিছত ঘৰলৈ যোৱাৰ সময়ত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰিবলৈ লওঁতে আগমনিৰ পৰা গৌৰীপুৰ অভিমুখী ছুইফট ডিজায়াৰ বাহন এখন খুন্দিয়াই পলায়ন কৰে। উপস্থিত ৰাইজে ততালিকে ছাত্ৰীগৰাকীক আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰে।

# লেখক-সাংবাদিক মৰম কুমাৰলৈ 'পথাৰ পাব্লিচাৰ্ছ'ৰ বিশেষ সন্মান

**ই-সংবাদ, গুৱাহাটী, ২৮ ডিচেম্বৰঃ** মহানগৰীৰ লাষ্টগেটস্থিত লোক নিৰ্মাণ বিভাগৰ প্ৰেক্ষাগৃহত ২৫ ডিচেম্বৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি লেখক-প্ৰকাশক-সমাজকৰ্মী মহীধৰ কলিতাৰ নেতৃত্বৰ পথাৰ পাব্লিচাৰ্ছৰ উদ্যোগত অনুষ্ঠিত 'তুলসী দিৱস'ৰ অনুষ্ঠানত লেখক-সাংবাদিক মৰম কুমাৰলৈ তেওঁৰ চাৰিশ পৃষ্ঠাৰ অসমীয়া উপন্যাস 'দ্য বিউটিফুল ট্ৰেজেডি'ৰ বাবে আগবঢ়োৱা হয় বিশেষ সন্মান। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতাৰ ডিগ্ৰীধাৰী তথা নিউজ লাইভ আৰু ছেন্টিনেল গ্ৰুপৰ প্ৰাক্তন জ্যেষ্ঠ সাংবাদিক মৰম কুমাৰে বিগত সময়ছোৱাত ইতিবাচক সাংবাদিকতাৰ লগতে গ্ৰন্থৰ জনপ্ৰিয়কৰণত গ্ৰহণ কৰি অহা ভূমিকা, সমাজৰ অসহায়সকলৰ হকে কৰি অহা কাম, 'ৰাষ্ট্ৰীয় শংকৰদেৱ চৰ্চা' শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে শংকৰদেৱৰ বিষয়ক এক বিশেষ দিশৰ চৰ্চাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, সাংস্কৃতিক সংগঠক হিচাপে পালন কৰা দায়িত্ব, 'তুমি যদি অসমীয়া' শীৰ্ষক বছৰজোৱা কাৰ্যসূচীৰ জৰিয়তে জাতীয় চেতনা জাগ্ৰত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ, প্ৰকাশক হিচাপে পালন কৰা ভূমিকা, ডেম'ক্ৰেচী লাইভ চেনেলৰ 'গ্ৰন্থ ৰোমন্থন' অনুষ্ঠানৰ জৰিয়তে অসমৰ লেখক-লেখিকাসকলৰ প্ৰকাশিত গ্ৰন্থৰ নিয়মীয়াকৈ প্ৰচাৰৰ হকে কৰা ব্যৱস্থা, অসম ৰঙালী উৎসৱৰ জৰিয়তে বিহুটিক শুদ্ধ ৰূপত উপস্থাপনৰ বাবে লোৱা পদক্ষেপ, লেখক হিচাপে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানক ভূয়সী প্ৰশংসা কৰে পথাৰ পাব্লিচাৰ্ছে। অনুষ্ঠানত সাপ্তাহিক প্ৰাগজ্যোতিষ কাকতৰ স্বত্বাধিকাৰী খগেন শইকীয়াই আনুষ্ঠানিকভাৱে তৰুণ প্ৰজন্মৰ সফল তথা আদৰ্শ যুৱ শক্তি হিচাপে পৰিচিত মৰম কুমাৰক এই সন্মান প্ৰদান কৰে। ইংৰাজী উপন্যাস Everybody, অসমীয়া উপন্যাস 'দ্য বিউটিফুল ট্ৰেজেডি'কে ধৰি ১৩ খনকৈ গ্ৰন্থৰ ৰচক মৰম কুমাৰে মৰমলেণ্ড পাব্লিকেচনৰ সঞ্চালক হিচাপে ১০০ তকৈ অধিক গ্ৰন্থ প্ৰকাশ কৰিছে। ক'ভিডকালীন সময়ত তিনিমাহ মহানগৰীৰ ভিন্ন প্ৰান্তত খাদ্য যোগান ধৰিছিল মানৱদৰদী হৃদয়ৰ মৰম কুমাৰে।

# বৰপেটাত ১৫হাজাৰৰো অধিক নতুন ৰেচন কাৰ্ড বিতৰণ

**ই-সংবাদ, বৰপেটাৰোড, ২৮ ডিচেম্বৰঃ** অসম চৰকাৰৰ খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনত আজি বৰপেটা জিলাত পোন্ধৰ হাজাৰৰো অধিক লোকে নতুন ৰেচন কাৰ্ড লাভ কৰে। বৰপেটা বিধানসভা সমষ্টিত অনুষ্ঠিত মূল বিতৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰে ক্ৰীড়া-যুৱ কল্যাণ, সংখ্যালঘু  কল্যাণ ইত্যাদিৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা। লগতে উপস্থিত থাকে বৰপেটা জিলাৰ জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা আৰু অন্যান্য চৰকাৰী বিষয়াসকল। অনুষ্ঠানত ভাষণ দি মন্ত্ৰী নন্দিতা গাৰ্লোছাই হিতাধিকাৰীসকলক তেওঁলোকে ৰেচন কাৰ্ডৰ জৰিয়তে কেনেদৰে সুবিধা লাভ কৰিব পাৰিব সেই বিষয়ে বুজাই দিয়ে। ৰেচন কাৰ্ড বিতৰণ ব্যৱস্থাত যিকোনো বিজুতি হ'লে জিলা প্ৰশাসনক অৱগত কৰিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে জোৰ দি কয় যে এজনো ব্যক্তিক তেওঁলোকৰ সুবিধাৰ পৰা বঞ্চিত কৰা উচিত নহয়। বৰপেটা জিলাত ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা নতুন ৰেচন কাৰ্ডৰ হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়া ডিচেম্বৰ মাহত সমাপ্ত হয়। জিলাখনত মুঠ ১৫,২৬৪ খন ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে, যাৰ ফলত সমগ্ৰ জিলাত ৬৫,২৬৪ জন ব্যক্তি উপকৃত হৈছে। ২৪ নং বৰপেটা বিধানসভা সমষ্টিত ৩,৩৬১খন কাৰ্ড প্ৰদান কৰা হৈছে। সমান্তৰালভাৱে মন্দিয়া, পাকাবেতবাৰী আৰু চেঙা বিধানসভা সমষ্টিসমূহতো জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত আৰু অন্যান্য বিষয়াসকলৰ সভাপতিত্বত অনুৰূপ অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে পাকাবেতবাৰী বিধানসভা সমষ্টিত ৩২০১খন নতুন ৰেচন কাৰ্ড, মন্দিয়া বিধানসভা সমষ্টিত ৩২১২খন কাৰ্ড, চেঙা বিধানসভা সমষ্টিত ৩২২৪খন কাৰ্ড বিতৰণ কৰা হয় আৰু বৰপেটা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভৱানীপুৰ-সৰভোগ অংশত ২২৬৬খন কাৰ্ড বিতৰণ কৰা হয়। উল্লেখ্য যে আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম আঁচনিৰ অধীনত ৰেচন কাৰ্ডধাৰীসকলেও ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা লাভ কৰিব। ইয়াৰ লগতে এল পি জি সংযোগ নথকা যোগ্য পৰিয়ালসমূহেও উজলা আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ ৰন্ধন গেছ লাভ কৰিব।অসম চৰকাৰে, ২০২৪ চনত ফ্লেগশ্বিপ অৰুণোদয় আঁচনিৰ সৈতে ৰেচন কাৰ্ড সংযোগ কৰি স্বচ্ছতা নিশ্চিত কৰাৰ লগতে যোগ্য পৰিয়ালে যাতে এই সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা কৰিছে। অৰুণোদয়ৰ অধীনত সুবিধা লাভ কৰিবলৈও এতিয়া বৈধ ৰেচন কাৰ্ড বাধ্যতামূলক।

# আৰোহণ আৰ্টিষ্ট গীল্ডৰ প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষ উদযাপন

**ই-সংবাদ, গুৱাহাটী, ২৮ ডিচেম্বৰঃ** ৰাজ্যখনৰ পথিকৃৎ শিক্ষা-সাহিত্য-সমাজ-সাংস্কৃতিক অনুষ্ঠান 'আৰোহণ আৰ্টিষ্ট গীল্ড'ৰ প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে এলানি ভিন-ভিন কাৰ্যসূচী ৰূপায়ণৰ প্ৰয়াস কৰিছে। আৰোহণ আৰ্টিষ্ট গীল্ডৰ উদ্যোগত অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা প্ৰেক্ষাগৃহত কালি ৰাজ্যৰ ভিন-ভিন ক্ষেত্ৰৰ কুৰিজন বিশিষ্ট ব্যক্তিক 'আৰোহণ বঁটা' প্ৰদান কৰে। দিনৰ ১২ বজাত অনুষ্ঠিত কৰা মূল সভা আৰু বঁটা প্ৰদান অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ডঃ কেশৱ কলিতাই আৰু অনুষ্ঠান টি আঁত ধৰি আৰোহণ আৰ্টিষ্ট গীল্ডৰ সভাপতি, শিল্পী, সংবাদকৰ্মী দিলীপ নাথে কয় যে আমি যিসকলে একাগ্ৰচিত্তে নিজৰ নিজৰ   ঠাইত নিৰৱচিত্তে কাম কৰি আছো, তেওঁলোকক আমি অনুসন্ধান কৰি নিজৰ কৰ্মৰাজিক সন্মান আৰু প্ৰেৰণা, উৎসাহ দিয়াৰ মানসেৰে জুৰিৰ দ্বাৰা নিৰ্বাচিত কৰি আৰোহণ বঁটা দি আহিছোঁ। সভাত মুখ্য অতিথি হিচাপে 'দৈনন্দিন বাৰ্তা'ৰ মুখ্য সম্পাদক ডঃ নৰেন হাজৰিকাই অংশ লৈ কয় যে সাহিত্য আৰু সংস্কৃতি অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। এটা জাতিক সামগ্ৰীকভাৱে প্ৰতিনিধিত্ব কৰিবলৈ সাহিত্য-সংস্কৃতিৰ দিশটো টনকিয়াল কৰিব লাগিব। ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে অসমীয়া ভাষাক সমৃদ্ধিশালী কৰিলে। বিশিষ্ট অতিথি 'আমাৰ অসম'ৰ সহকাৰী সম্পাদক, লেখক মণ্টু শইকীয়াই অংশ লৈ কয় যে বঁটা-সন্মানৰ স্বীকৃতিয়ে এজন মানুহক আগুৱাই যোৱাত সহায় কৰে। জীৱন কালত একো এটা কাম নকৰা মানুহে সমাদৰ বিচৰাটো ভুল। নতুন প্ৰজন্মই ম'বাইল সাৱধানেৰে ব্যৱহাৰ কৰিব লাগে। সন্মানীত অতিথি হিচাপে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, সাংবাদিক তথা লেখক দীপক শৰ্মাই কয় যে প্ৰতিঘৰ গৃহস্থই এখনকৈ দৈনিক বাতৰি কাকত আৰু এখনকৈ মাহেকীয়া আলোচনী ঘৰত ৰাখক। নিজেও পঢ়ক আৰু সন্তানকো পঢ়াৰ অভ্যাস কৰক। বৰ্তমান সমাজত দেখা বহু সমস্যাৰ সমাধান পাব। সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বৰেণ্য সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বৰপেটা মন্দিয়া মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা প্ৰতিভা চৌধুৰী, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক জ্যোতিষী ডঃ নৰেন্দ্ৰ নাথ শৰ্মা, সাংবাদিক মুনিন ডেকা আৰু শিল্পী ক্ষিৰোজ মেধি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে। উক্ত অনুষ্ঠানত মৰিগাঁও জিলাৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিষ্ণু প্ৰসাদ উপাধ্যায়, তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ যোগেন বড়ো আৰু বৰপেটা পলিটেকনিক মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৃপেন মজুমদাৰলৈ আৰোহণ শিক্ষাৰত্ন বঁটা, ওদালগুৰি জিলাৰ বেংবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নোমল কুমাৰ দৈমাৰী, নলবাৰী জিলাৰ মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোবিন্দ কলিতা আৰু লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নুৰুল হুছেইনলৈ আৰোহণ শৈক্ষিক সমন্বয় বঁটা, কামৰূপ জিলা ৰঙিয়াৰ ৰাজেন কলিতা, পৰশমনি শৰ্মা, তামুলপুৰ হাতীমুৰাৰ প্ৰণৱ কুমাৰ বসুমতাৰী, বজালী জিলাৰ নৃত্যানন্দৰ কৃষ্ণ মেধি লৈ কৃতী শিক্ষক বঁটা আৰু ভূপেশ খাটনিয়াৰলৈ অসম শিক্ষাজ্যোতি বঁটা, ৰঙিয়াৰ বিশিষ্ট চিকিৎসক ডাঃ ভৱত বৈশ্যলৈ আৰোহণ স্বাস্থ্য সমন্বয় বঁটা, তামুলপুৰ জিলাৰ বিশিষ্ট সমাজকৰ্মী দয়াল দাস আৰু বৰপেটা জিলাৰ অজয় সৈনাৰীলৈ আৰোহণ সামাজিক সমন্বয় বঁটা, কামৰূপ জিলাৰ বিহদিয়াৰ ৰমেন বৰুৱালৈ আৰোহণ সমাজসেৱা বঁটা, শ্বহীদ পৰাগ কুমাৰ দাস সোঁৱৰণী সাংবাদিক বঁটা বৰপেটা জিলাৰ সৰ্থেবাৰীৰ সাংবাদিক নকুল তালুকদাৰক প্ৰদান কৰা হয়। ইয়াৰ উপৰি কামৰূপ জিলাৰ চাংসাৰি-জলাহৰ বিশিষ্ট সমাজকৰ্মী ডঃ চফিক আলি মিৰ্জাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই সভাতে আৰোহণ আৰ্টিষ্ট গীল্ডৰ সভাপতি দিলীপ নাথক নতুন দিল্লীত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ বঁটা লাভ কৰা হেতুকে 'বেষ্ট পইনট আৰ্ট এণ্ড ডেনচ স্কুল'ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।শেষত বাৰেৰহনীয়া গীত-মাত আৰু নৃত্যৰ অনুষ্ঠানেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ভুক্তভোগীৰ এজাহাৰ নলৈ অভব্য আচৰণ, ক্ষুদ্ধ ৰাইজৰ ঘেৰাও গোলকগঞ্জ থানা

**ই-সংবাদ, গোলকগঞ্জ, ২৮ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত লক্ষীমাৰী তৃতীয় খণ্ড গাঁৱত গুৰুতৰভাৱে আহত ভুক্তভোগীৰ এজাহাৰ আৰক্ষীয়ে সংগ্ৰহ নকৰি ওলোটা অভব্য আচৰণ কৰি খেদি পঠিওৱা ঘটনাক কেন্দ্ৰ কৰি আজি থানাখনত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, ২৫ ডিচেম্বৰৰ সন্ধিয়া কেৰম খেলক লৈ দুটা পক্ষৰ মাজত কাজিয়াৰ সৃষ্টি হয়। উপস্থিত ৰাইজৰ মধ্যস্থতাত কাজিয়াৰ মীমাংসা হয়। নিশা বাৰ বজাত সকলো শুই থকা অৱস্থাত শিক্ষক শ্বাহ আলম সৰকাৰে তেওঁৰ পুত্ৰ ইনজামামুল সৰকাৰ আৰু একে গাঁৱৰ ৰেজ্জাক তালুকদাৰ নামৰ এজন যুৱকক লগত লৈ জয়নাল সেখৰ ঘৰত আক্ৰমণ চলায়। ঘৰৰ দুৱাৰ-বেৰ আচবাব ভাঙি লণ্ড ভণ্ড কৰে। ইয়াৰ পিছতে জয়নালৰ জ্যেষ্ঠ পুত্ৰ মিৰাজ ইছলাম(২৬)ক মাৰপিট কৰাৰ লগতে চোকা অস্ত্ৰৰে হানি-খুছি গুৰুতৰভাৱে আহত কৰে। মিৰাজক বচাবলৈ তেওঁৰ পত্নী আমিনা বিবি (২০) আৰু ভাতৃ সাহাজুল ইছলাম (১৯) আগবাঢ়ি যোৱাত তেওঁলোককো আক্ৰমণ কৰে। গুৰুতৰভাৱে আহত মিৰাজসহ পৰিয়ালৰ লোক নিশাই গোলকগঞ্জ থানালৈ এজাহাৰ দিবলৈ আহে। ভাৰপ্ৰাপ্ত বিষয়া কলিতাই এজাহাৰ ল'বলৈ অস্বীকাৰ কৰাৰ লগতে ককৰ্থনা কৰি বিভিন্ন অজুহাত দেখুৱাই খেদি পঠিয়ায়। পৰিয়ালৰ লোক সময় অপচয় নকৰি আহত তিনিওকে গোলকগঞ্জ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ লৈ নি প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। মিৰাজৰ অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে পশ্চিমবংগৰ কোচবিহাৰৰ এখন চিকিৎসালয়ত ভৰ্তি কৰে। ৰাইজৰ দান বৰঙণিত দুদিন চিকিৎসা কৰি যোৱা নিশা ধনৰ অভাৱত পুনৰ ঘৰলৈ ঘূৰাই আনে। আজি পুৱা পৰিয়ালৰ লোক পুনৰ এজাহাৰ দিবলৈ থানাত উপস্থিত হোৱাত গোলকগঞ্জ থানাৰ আৰক্ষী বিষয়াই কিয় ইয়ালৈ আহিছে, নাটক কৰিবলৈ আহিছে নেকি আদি ভাষাৰে উপলুঙা কৰাৰ লগতে দাবি-ধমকি দিয়ে। অভিযোগ মতে, ধনবল, বাহুবলেৰে বলী শিক্ষকৰ বিৰুদ্ধে গোচৰ লোৱাৰ সদিচ্ছা নাই ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ। ভুক্তভোগী চিকিৎসালয়ত মৃত্যুৰ ক্ষণ গণি থকাৰ সময়তো অভিযুক্ত শিক্ষক শ্বাহ আলম সৰকাৰে ভাৰপ্ৰাপ্ত বিষয়াৰ অতি ঘনিষ্ঠ মধ্যভোগীৰ লগত গোলকগঞ্জ থানাৰ সন্মুখত মুকলিভাৱে ঘূৰি-ফুৰি আছিল। আৰক্ষীৰ এনে একপক্ষীয় নীতিত স্থানীয় দুই শতাধিক লোক ক্ষুদ্ধ হৈ পুৱা গোলকগঞ্জ থানা ঘেৰাও কৰি উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰে। পিছত স্থানীয় সচেতন ৰাইজৰ উপস্থিতিত এজাহাৰ গ্ৰহণ কৰাত পৰিস্থিতি শান্ত হয়। গাঁওখনৰ ৰাইজে আৰ্থিক সাহায্য প্ৰদান কৰি গুৰুতৰভাৱে আহত মিৰাজক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত প্ৰেৰণ কৰে। ইপিনে, কাইলৈ থানাৰ সন্মুখত মুকলিভাৱে ঘূৰি-ফুৰা অভিযুক্ত শিক্ষকজনক সন্ধিয়ালৈ আৰক্ষীয়ে আটক কৰিব নোৱাৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়া এইটো নতুন ঘটনা নহয়। চৈধ্য ডিচেম্বৰত উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱৰ এগৰাকী যুৱতীক উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড উচিতাৰ সিৰাজুল হক আৰু তেওঁৰ পুত্ৰ গোল হক সেখে অপহৰণ কৰি নিয়ে। এই সন্দৰ্ভত পিতৃয়ে এজাহাৰ দিবলৈ যোৱাত ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই ধমকি দি খেদি পঠিয়ায়। উনৈশ ডিচেম্বৰত যুৱকৰ পিতৃয়ে যুৱতীক থানাত ঘূৰাই দিয়াত আৰক্ষীয়ে যুৱতীৰ পিতৃক থানালৈ উঠাই আনি বলপূৰ্বক যুৱতীগৰাকীক পিতৃৰ সৈতে পঠিয়াই দিয়ে। পিছদিনা যুৱতীগৰাকী পুনৰ এজাহাৰ দিবলৈ যায় যদিও এজাহাৰ ল'বলৈ অস্বীকাৰ কৰে আৰক্ষী বিষয়া কলিতাই। বিভিন্ন বাতৰি কাকত, টিভিত বাতৰি প্ৰকাশৰ পিছত যুৱতীৰ গোচৰ ৰুজু কৰে যদিও গোচৰ বিপথে পৰিচালিত কৰিবলৈ যুৱকজনৰ হতুৱাই আন এটা গোচৰ ৰুজু কৰাৰ অভিযোগ উত্থাপিত হৈছে। গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ স্বেচ্ছাচাৰিতাত সাধাৰণ ৰাইজ চৰম অসন্তুষ্ট হৈ পৰিছে। শীঘ্ৰে উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

# তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিশু বিজ্ঞান সমাৰোহ

**ই-সংবাদ, ডুমডুমা, ২৮ ডিচেম্বৰঃ** ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ নৱম-দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি শিশু বিজ্ঞান সমাৰোহ সম্পন্ন হৈ যায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, হাপজান খণ্ড আৰু ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ তিনিচুকীয়া জিলা সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা খণ্ড পৰ্যায়ৰ বিজ্ঞান সমাৰোহত নগৰ শিক্ষাখণ্ডৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকল্পৰ মূল বিষয়- বহনক্ষম উন্নয়নৰ বাবে পৰম্পৰাগত জ্ঞান ব্যৱস্থাৰ আধাৰত প্ৰস্তুত কৰা প্ৰকল্পসমূহ উপস্থাপন কৰে। এই উপলক্ষে পুৱা ১০ বজাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ প্ৰথমগৰাকী সঞ্চালক তথা পদাৰ্থবিজ্ঞানী ড০ অনিল গোস্বামীৰ মৃত্যুত শোক প্ৰস্তাৱ লোৱা হয়। ভাৰত জনবিজ্ঞান যাত্ৰাৰ ৰাজ্যিক উপ-সভাপতি তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উপদেষ্টা জিতেন শৰ্মাই শুভ উদ্বোধন কৰা অনুষ্ঠানত সমগ্ৰ শিক্ষাৰ তিনিচুকীয়া জিলাৰ আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামুলী, নগৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়াৰ লগতে প্ৰকল্পসমূহৰ মূল্যায়নকাৰী ক্ৰমে প্ৰকৃতিবিদ শৈলেন্দ্ৰ মোহন দাস, প্ৰাক্তন ৰাষ্ট্ৰীয় শিশু বিজ্ঞানী লভলীনা চেতিয়া উপস্থিত থাকে। প্ৰকল্প উপস্থাপনৰ অন্তত অনুষ্ঠিত হোৱা মুকলি সভাৰ বঁটা বিতৰণী অনুষ্ঠানত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনী, চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত নেওগ উপস্থিত থাকে। সভাত খণ্ড পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈ নিৰ্বাচিত হোৱা প্ৰকল্পসমূহ বাছনি কৰাৰ লগতে নিৰ্বাচিত আৰু অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। জিলা পৰ্যায়লৈ নিৰ্বাচিত হোৱা জুনিয়ৰ শাখাৰ প্ৰতিযোগীসকল ক্ৰমে প্ৰথম স্থানত আঞ্চল ভাৰতী আৰু ঈশিকা কুমাৰী, দ্বিতীয় স্থানত ৰনবীৰ দাস আৰু শ্বৰিতা জাহান নিৰ্বাচিত হয়। আনহাতে, ছিনিয়ৰ শাখাত প্ৰথম স্থান লাভ কৰে পৰমানন্দ বৰুৱা আৰু চম্পা দুৱৰাই। দ্বিতীয় স্থান অধিকাৰ কৰে মুন শইকীয়া আৰু নিবেদীতা তাঁতীয়ে। সমাৰোহৰ কাৰ্যসূচীৰ আঁত ধৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ হাপজান খণ্ডৰ সমন্বয়ক ৰাজদেৱ কৌশিকে।

# ভাটিকুৰুৱা শ্ৰীশ্ৰী শিৱ মন্দিৰত চুৰিকাণ্ড

**ই-সংবাদ, দুমুনিচকী, ২৮ ডিচেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানা অন্তৰ্গত কুৰুৱা খলিহৈ অঞ্চলত যোৱা কিছুদিন ধৰি চোৰৰ উপদ্ৰৱ ভয়ানকভাৱে বৃদ্ধি পাইছে। অঞ্চলটোৰ দোকান-পোহাৰ, গৰু-ছাগলীৰ পিছত এইবাৰ চোৰৰ লক্ষ্য হৈছে অঞ্চলটোৰ মঠ-মন্দিৰসমূহ। ২৬ ডিচেম্বৰৰ নিশা ঐতিহ্যমণ্ডিত বমন পথাৰৰ কালি মন্দিৰৰ পিছত যোৱা নিশা অঞ্চলটোৰ এক উল্লেখযোগ্য ধৰ্মীয় অনুষ্ঠান ভাটিকুৰুৱা শ্ৰীশ্ৰী শিৱমন্দিৰত চোৰে উপদ্ৰৱ চলায়। মন্দিৰৰ পৰিচালনা সমিতিয়ে জনোৱা অনুসৰি ঐতিহ্যমণ্ডিত মন্দিৰটোত চোৰে দুটাকৈ দানপাত্ৰ, ভঁড়াল ঘৰৰ দুৱাৰ, গডৰেজ আলমিৰা আদিৰ যথেষ্ট ক্ষতিসাধন কৰি লক্ষাধিক টকা, সোণ-ৰূপৰ বেলপাত, সাপ, কেইবাখনো পিতলৰ গছা লৈ যায়। মন্দিৰৰ মূল মনিকূটত সোমাই লণ্ডভণ্ড কৰা চোৰৰ এনে কাৰ্যত স্থানীয় ভক্তপ্ৰাণ ৰাইজে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে প্ৰশাসনক অতি সোনকালে বৃহত্তৰ অঞ্চলতোত উপদ্ৰৱ চলাই থকা চোৰক কৰায়ত্ত কৰাৰ দাবী জনাইছে।

# বাক্সাৰ ডাঃ অনন্ত একাডেমীত বিদ্যালয় মূল্যায়ন উৎসৱ পালন

**ই-সংবাদ, মুছলপুৰ, ২৮ ডিচেম্বৰঃ** সম্প্ৰতি চৰকাৰী বিদ্যালয়সমূহত গুণোৎসৱ অনুষ্ঠিত কৰি শিক্ষাৰ মানদণ্ড পৰ্যালোচনা আৰু উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সময়তে বাক্সাৰ জালাহস্থিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ডাঃ অনন্ত একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু উপেন্দ্ৰ স্কলাৰ্চ একাডেমীয়ে অনুষ্ঠিত কৰিছে বিদ্যালয় মূল্যায়ন উৎসৱ। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক তথা আৰ্থ-সামাজিক ক্ষেত্ৰত গতিশীলতা প্ৰদানৰ লক্ষ্যেৰে এই বিদ্যালয় মূল্যায়ন উৎসৱৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ দিয়ে ডাঃ অনন্ত একাডেমীৰ অধ্যক্ষ ড০ ভৱেশ শৰ্মাই। তেওঁ এই উৎসৱৰ জৰিয়তে সমাজৰ কিছু বিশেষ ব্যক্তিত্ব সম্পন্ন অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজসেৱকৰ দ্বাৰা শিক্ষানুষ্ঠান দুখনৰ সামগ্ৰিক দিশ পৰ্যবেক্ষণ কৰোৱা হয় বুলিও জানিবলৈ দিয়ে। তেওঁ লগতে বিদ্যালয় দুখনৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ কাৰণে দেশে-বিদেশে নিজক যাতে প্ৰতিষ্ঠা কৰিব পাৰে তেনে ধৰণৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ কথা সদৰি কৰে। কাৰ্যসূচী অনুসৰি পৰ্যবেক্ষণৰ অন্তত শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ মাজত এখন মত বিনিময় সভাও অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকি বাক্সা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক গীতাৰ্থ দেৱ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত কাৰ্যপন্থা আৰু অপৰাধ প্ৰৱণতা ৰোধ সন্দৰ্ভত বক্তব্য ৰাখে। আজিৰ এই মূল্যায়ন উৎসৱত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে বি এইচ কলেজ, হাউলীৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, আৰকৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱানন্দ বসুমতাৰী, কাব্যশ্ৰী মানসী নাথ, সমাজ সেৱক যাদৱ ডেকা, ১২৬৬ নং বড়োপাৰা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দীনেশ বড়ো আৰু নৱজ্যোতি হাইস্কুল, দৈশিঙৰিৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উত্তম দাস। ৰোমানা বি শৰ্মাই আঁত ধৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে একক আৰু দলীয়ভাৱে পৰিৱেশন কৰা নৃত্য-গীতে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বাঘমাৰা চৰত শিক্ষা বিভাগৰ ECCE প্ৰশিক্ষণৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ২৮ ডিচেম্বৰঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত চৰাঞ্চলৰ প্ৰায় ৮ খন মণ্ডল সমল কেন্দ্ৰৰ অৰ্ধশতাধিক শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত ২৬ ডিচেম্বৰ পৰা আৰম্ভ হোৱা বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'ক' শ্ৰেণীৰ শিশুসকলৰ শিক্ষণ-শিকন সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰ সন্দৰ্ভত তিনিদিনীয়া ব্লক পৰ্যায়ৰ দ্বিতীয় পৰ্যায়ৰ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ আজি অন্ত পৰে। উল্লেখ্য যে এই ECCE প্ৰশিক্ষণ মীৰ হুছাইনৰ তত্ত্বাৱধানত এই শিক্ষক প্ৰশিক্ষণ শিবিৰত ছাদ্দাম হুছাইন, ছাবানা ইয়াছমিন সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত প্ৰশিক্ষণ আগবঢ়ায়। লগতে প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰাক্তন সমল ব্যক্তি তথা শিক্ষক আফজাৰুল ইছলামে বিষয়বস্তুৰ ওপৰত বিভিন্ন activity কৰি দেখুৱায়। এই প্ৰশিক্ষণত বিভিন্ন ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুতৰো জ্ঞান দিয়া হয়। এই তিনিদিনীয়া প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰত্যেক দিনাই বহুতো শিক্ষণ-শিকন সামগ্ৰী প্ৰশিক্ষাৰ্থী শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱাৰ লগতে বিদ্যালয়ত শিক্ষাদান দিয়াত সহায়ক হোৱাকৈ প্ৰাৰম্ভিক শিশুৰ যত্ন আৰু শিক্ষা প্ৰশিক্ষণ (ECCE) সম্বন্ধে প্ৰশিক্ষণ দিয়া হ'ব।

# দুধনৈৰ ৯১০২ গৰাকী হিতাধিকাৰীক নতুন ৰেচন কাৰ্ড

**ই-সংবাদ, ধূপধৰা, ২৮ ডিচেম্বৰঃ** অসম চৰকাৰৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন-২০১৩ ৰ অধীনত আজি গোৱালপাৰা জিলাৰ চাৰিওটা বিধানসভা সমষ্টিত নতুন ৰেচন কাৰ্ড হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে বিতৰণৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনোমোহন সিঙৰ ২৬ ডিচেম্বৰত মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত আজি গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টিত আয়োজন কৰা নতুন ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচী অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰে আৰু প্ৰতিটো অনুষ্ঠানৰে আৰম্ভণিত ২ মিনিট সময় মৌন প্ৰাৰ্থনাৰে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি তেওঁৰ আত্মাৰ সদগতি কামনা কৰে। আজি জিলাখনৰ অন্য তিনিটা বিধানসভা সমষ্টিৰ লগতে দুধনৈৰ জন মন্দিৰ প্ৰেক্ষাগৃহত দুধনৈ (জনজাতি) বিধানসভা সমষ্টিৰ বাবে নতুন ৰেচন কাৰ্ড বিতৰণৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। দুধনৈ (জনজাতি) সমষ্টিত নতুন ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালৰ সংখ্যা ৪,৬৫৭ টা আৰু নতুন হিতাধিকাৰীৰ সংখ্যা ৯,১০২ গৰাকী। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। অনুষ্ঠানটোত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সম্পাদিকা টিনামণি দৈমাৰীও উপস্থিত থাকে। উল্লেখ্য যে, নতুন ৰেচন কাৰ্ড লাভ কৰা হিতাধিকাৰী অহা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰাই এই আঁচনিৰ সুবিধা লাভ কৰিব । আজি আনুষ্ঠানিকভাৱে বিতৰণ আৰম্ভ কৰা গোৱালপাৰা জিলাখনত এই নতুন ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালৰ সংখ্যা ১৮,১৮৭ টা আৰু নতুন হিতাধিকাৰীৰ সংখ্যা ৩৭,৫৩৮ গৰাকী। গোৱালপাৰা জিলাত এই নতুন ৰেচন কাৰ্ডৰ বাবে আবেদনকাৰীসকলে নিজ নিজ গাঁও পঞ্চায়ত আৰু পৌৰসভা কাৰ্যালয়ত নিজৰ আবেদন দাখিল কৰিবলৈ দিয়া হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই আবেদনসমূহ পৰীক্ষা নিৰীক্ষা কৰি বাছনি কৰি গোৱালপাৰা জিলাৰ খাদ্য, ৰাজহুৱা যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাৰ্যালয়ে নতুন ৰেচন কাৰ্ডৰ কামখিনি সম্পন্ন কৰিছে।

# যোৰহাটৰ পৰ্বতীয়া-ভাতেমৰাত নাহৰফুটুকীৰ আতংক

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৮ ডিচেম্বৰঃ** যোৰহাটৰ পশ্চিম অঞ্চলৰ সৰুচৰাই চাহবাগিচাৰ কাষৰ ভাতেমৰা গাঁৱত এটা নাহৰফুটুকীয়ে যোৱা কিছুদিনৰ পৰা বিচৰণ কৰি আছে। বাঘটো পিঞ্জৰাবদ্ধ কৰিবলৈ বন বিভাগে প্ৰচেষ্টা চলাইছিল যদিও সফল নহ'ল। পৰ্বতীয়া উপ-স্বাস্থ্য কেন্দ্ৰৰ সমীপৰ এঘৰৰ পৰা ছাগলী নাহৰফুটুকীয়ে চোঁচৰাই নিয়া গৃহস্থই প্ৰত্যক্ষ কৰে। এই খবৰ পৰ্বতীয়া-ভাতেমৰা গাঁৱত প্ৰচাৰিত হোৱাত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় লোকে জনোৱা মতে, বাঘটো যোৱা কিছুদিনৰ পৰা সৰুচৰাই চাহবাগিচাৰ লগতে পৰ্বতীয়া-ভাতেমৰা গাঁৱৰ হাবিত আশ্ৰয় লৈ পশুধন ভক্ষণ কৰি আহিছে।

# পলাশবাৰীত প্ৰয়াত ড০ মনমোহন সিঙক শ্ৰদ্ধাঞ্জলি

**ই- সংবাদ, মিৰ্জা, ২৮ ডিচেম্বৰঃ** পলাশবাৰীৰ উপৰহালী স্থিত ৰাজীৱ ভৱনত কামৰূপ জিলা মহিলা কংগ্ৰেছৰ উদ্যোগত আৰু ৰামপুৰ ব্লক কংগ্ৰেছৰ সহযোগত দেশৰ প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংৰ আত্মাৰ সদগতিৰ কামনাৰ্থে আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। এই উপলক্ষে অনুষ্ঠিত শোক সভাত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংৰ আত্মাৰ চিৰ শান্তি কামনাৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি প্ৰাক্তন প্ৰধান মন্ত্ৰী মনমোহনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে। আনহাতে সন্ধিয়া কামৰূপ জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক বিপ্লৱ কুমাৰ তালুকদাৰে আঁতধৰা অনুষ্ঠানত নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াই উপৰহালী স্থিত কাৰ্যালয়ত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত কামৰূপ জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী দিপালী তালুকদাৰ, জিলা কংগ্ৰেছৰ সম্পাদক মুকুট কলিতা, জিলা মুখপাত্ৰ অশোক দাস, ৰামপুৰ ব্লক কংগ্ৰেছৰ সভাপতি মাখন দাস, ৰামপুৰ ব্লক মহিলা কংগ্ৰেছৰ কাৰ্যকৰী সভানেত্ৰী ৰেণু বেগম, উপৰহালী মণ্ডলৰ কংগ্ৰেছৰ সভাপতি অৰুণ চন্দ্ৰ দাস, ৰামপুৰ ব্লক কংগ্ৰেছৰ সম্পাদক ভৱেন দাস , দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক মনোজ ঠাকুৰীয়াৰ লগতে বহু কেইজন কংগ্ৰেছৰ বিষয়ববীয়া তথা সদস্য উপস্থিত থাকে।

# বালুগুটীয়াত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক সৰবৰাহকাৰী

**ই- সংবাদ, বেবেজীয়া, ২৮ ডিচেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো দীৰ্ঘদিনৰে পৰা অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান । কিন্তু আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ ড্ৰাগছ ব্যৱসায়ী চক্ৰই আৰক্ষীলৈ কেৰেপ নকৰি চলাই আহিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা । ইয়াৰ মাজতে জিলাখনৰ বালুগুটীয়াত আৰক্ষীৰ জালত পৰে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ এটা সৰবৰাহকাৰী। ধৃত সৰবৰাহকাৰীটো হৈছে বালুগুটীয়াৰ মুজাম্মিল হক। আচলতে, এক গোপন সূত্ৰৰ পম খেদি জুৰীয়া আৰক্ষী থানা আৰু সুতিৰপাৰ আৰক্ষী পহৰা চকীৰ আৰক্ষীৰ দলে শুকুৰবাৰে নিশা যুটীয়াভাৱে বালুগুটীয়াত অভিযান চলাই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এই অভিযানত আৰক্ষীয়ে সৰবৰাহকাৰী মুজাম্মিল হকৰ পৰা চাৰিটা চাবোনৰ বাকচত থকা ৪৮.৩৭ গ্ৰাম ড্ৰাগছ জব্দ কৰে। দীৰ্ঘদিনৰে পৰা আৰক্ষীৰ চকুত ধূলি দি ধৃত সৰবৰাহকাৰীটোৱে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰত ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে অঞ্চলটোত দীৰ্ঘদিন ধৰি দুষ্ট চক্ৰই ড্ৰাগছৰ বেহা চলাই যোৱাৰ অভিযোগ উঠি আহিছিল।

# সন্ধানহীন যুৱকক শীঘ্ৰে উদ্ধাৰৰ দাবীত ৰঙিয়াত প্ৰতিবাদ



**ই-সংবাদ, ৰঙিয়া, ২৮ ডিচেম্বৰঃ** ৰঙিয়াৰ দক্ষিণ বৰদলৰ ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজনে বনভোজ খাবলৈ গৈ সন্ধানহীন হৈ থকা ঘটনাই আজি চতুৰ্থ দিন অতিক্ৰম কৰাৰ পিছতো কোনো ধৰণৰ সম্ভেদ লাভ কৰা নাই আৰক্ষীয়ে। যাৰ পৰিপ্ৰেক্ষিতত আজি পৰিয়াল তথা স্থানীয় লোকে উক্ত ঘটনাৰ প্ৰতিবাদকল্পে ৰঙিয়া থানালৈ বিশাল প্ৰতিবাদী সমদল উলিয়াই। হাতে হাতে বেনাৰ, ফেষ্টুন লৈ নিৰ্দ্দিষ্ট যুৱকজনক উদ্ধাৰ কৰাৰ বাবে দাবী সম্বলিত শ্লোগানেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে প্ৰতিবাদকাৰীসকলে। ইয়াৰ পিছতে ৰঙিয়া থানাৰ সন্মুখত সমবেত হৈ অনুষ্ঠিত কৰে প্ৰতিবাদী সভা।প্ৰতিবাদকাৰী দলটোৱে নিৰ্দ্দিষ্ট যুৱকজনক উদ্ধাৰ কৰাৰ লগতে উক্ত ঘটনাত জড়িতক আটক কৰাৰ দাবীত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি থানা চৌহদ উত্তপ্ত কৰি তোলে।



মেলবৰ্ণ টেষ্টত উইকেট দখলৰ পিছত যশপ্ৰীত বুমৰাহৰ উল্লাস, শনিবাৰে



## চাহ শ্ৰমিকক কংগ্ৰেছে শোষণ কৰিছিলঃ পোনাকণ বৰুৱা

# লাহোৱালত তিনি শতাধিক চাহ শ্ৰমিকৰ অগপত যোগদান

**ই সংবাদ, চাবুৱা-লাহোৱাল, ২৮ ডিচেম্বৰঃ** চাহ শ্ৰমিকক কংগ্ৰেছে দীৰ্ঘদিনে শাসন কৰিছিল। কংগ্ৰেছৰ শাসন কালত শোষণ কৰিছিল। কংগ্ৰেছৰ দিনত বঞ্চিত হৈছিল জনগোষ্ঠীটো। উন্নয়নৰ মুখ দেখা নাছিল। এইখন চৰকাৰত যথেষ্ট উন্নয়নৰ মুখ দেখিছে। সেয়েহে এতিয়া উৎসাহী চাহ শ্ৰমিক অসম গণ পৰিষদৰ প্ৰতি আকৰ্ষিত হৈছে। এই দাবী চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ। আজি লাহোৱাল সমষ্টিটোৰ ৰমাই গাঁও পঞ্চায়তত অনুষ্ঠিত এখন যোগদান সভাত অংশ লৈ কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয় বিধায়ক বৰুৱাই। বিধায়ক বৰুৱাই কংগ্ৰেছৰ সমালোচনা কৰাৰ লগতে চাহ জনগোষ্ঠীৰ লোকসকল সদায়েই আঞ্চলিকতাবাদত বিশ্বাসী আৰু ধৰ্ম নিৰপেক্ষতাত বিশ্বাসী বুলি কয়। বৰুৱাই কয় যে হিন্দু, খ্ৰীষ্টান সকলোৱে অসম গণ পৰিষদৰ আদৰ্শৰ প্ৰতি উৎসাহী হৈছে। চাবুৱা আৰু লাহোৱাল সমষ্টিৰ দুটা খণ্ড লগ গৈ বৰ্তমান চাবুৱা-লাহোৱাল সমষ্টি। নতুনকৈ গঠন হোৱা সমষ্টিত আমি সাংগঠনিক কাম-কাজ অব্যাহত ৰাখিছো। অসম গণ পৰিষদ দলৰ প্ৰতি চাহ জনগোষ্ঠীৰ পুৰুষ-মহিলা আকৰ্ষিত হৈছে। তিনিশ পুৰুষ-মহিলাই আজি অসম গণ পৰিষদত যোগদান কৰিছে। তিনি শতাধিক শ্ৰমিকৰ দলটোক অগপলৈ আদৰণি জনাই বিধায়কগৰাকীয়ে। চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই চাবুৱা-লাহোৱাল সমষ্টিত দলৰ ভেটি শক্তিশালী কৰি পঞ্চায়ত নিৰ্বাচনত শক্তি প্ৰদৰ্শন কৰিবলৈ দিনে-নিশাই সক্ৰিয় হৈছে। নিতৌ বহু লোকক দলটোত যোগদান কৰাই পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজাই অহাৰ সময়তে আজি পুনৰ তিনি শতাধিক চাহ শ্ৰমিক পুৰুষ-মহিলাক অগপত যোগদান কৰাইছে। চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত ৰমাই গাঁও পঞ্চায়তত অনুষ্ঠিত এখন সভাত তিনি শতাধিক বিভিন্ন দলৰ কৰ্মীয়ে অগপ দলত যোগদান কৰে। বিধায়ক পোনাকণ বৰুৱা, অগপৰ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰাই দলত যোগ দিয়া সকলোকে ফুলাম গামোচা পিন্ধাই দলৈ আদৰণি জনায়।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি